www.newsnextone.com
# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, NOVEMBER 13, 2024 ■ বুধবাৰ, ২৭ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১০ Guwahati, Assam ।। মূল্যঃ এটকা

## সাংবাদিক আক্ৰমণকাৰী ধৃত

ই-সংবাদ, পুৰণিগুদাম, ১২ নৱেম্বৰঃ নগাঁও জিলাৰ চামগুৰি উপ-নিৰ্বাচনৰ প্ৰাক্কক্ষণত ৭ পৃষ্ঠাত চাওক

## গুৱাহাটীৰ ৩ স্থানত কাণ্ড

ই-সংবাদ, ১২ নৱেম্বৰঃ দুৰ্বৃত্তই কজ্বা কৰিছে নেকি গুৱাহাটী মহানগৰ? শেষাংশ ৫ পৃষ্ঠাত

## অভিভাৱক মন্ত্ৰীৰ বৈধতাক লৈ প্ৰশ্ন

ই-সংবাদ, ১২ নৱেম্বৰঃ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনীৰ প্ৰক্ৰিয়াক লৈ আদালতে ৰাজ্য চৰকাৰক প্ৰশ্ন কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ বিচাৰপীঠে অহা ২২ নৱেম্বৰৰ পূৰ্বে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ হিতাধিকাৰী বাছনিৰ শেষাংশ ৫ পৃষ্ঠাত

## সাহিত্য সভাৰ পেনেল

ই-সংবাদ, ১২ নৱেম্বৰঃ অসম সাহিত্য সভাই দীৰ্ঘ বিতৰ্কৰ অন্তত কিছু শেষাংশ ৪ পৃষ্ঠাত

### ২৪ ঘণ্টীয়া বন্ধ ঘোষণা
## মণিপুৰত হিংসা, অপহৃত ৬ মহিলা

ই-সংবাদ, ইম্ফল, ১২ নৱেম্বৰঃ সশস্ত্ৰ কুকি উগ্ৰপন্থীয়ে নিৰ্মম আক্ৰমণ, শেষাংশ ৬ পৃষ্ঠাত

## আৰক্ষী নিৰপেক্ষ হ'ব লাগেঃ ভূপেন বৰা

গুৱাহাটী, ১২ নৱেম্বৰঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম আৰক্ষীয়ে নিৰ্বাচন আয়োগকো ভ্ৰূক্ষেপ নকৰা কাৰ্যক অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিছে। আৰক্ষীৰ ওভতগোৰে নচাৰ বিষয়টো সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ শেষাংশ ৩ পৃষ্ঠাত

### টাৰ্গেট কংগ্ৰেছ প্ৰাৰ্থী
## টকা! জয়ন্ত বৰাৰ হোটেলত নিশা অভিযান

ই-সংবাদ, ১২ নৱেম্বৰঃ ভোটগ্ৰহণৰ বাবে মাজত কেইটামান শেষাংশ ৪ পৃষ্ঠাত


### চালক-মালিকৰ ক্ষোভ
## ই-ৰিক্সাৰ চালকে পিন্ধিব খাকী ড্ৰেছ

ই-সংবাদ, ১২ নৱেম্বৰঃ গুৱাহাটীৰ মুখ্য পথ আৰু দ্বৈত পথত ই-ৰিক্সাৰ ৬ পৃষ্ঠাত চাওক

### ৯ লাখ ১০ হাজাৰ ৬৬৫ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব ৩৪ প্ৰাৰ্থীৰ ভাগ্য
# পাঁচ সমষ্টিত আজি ভোটগ্ৰহণ

ই-সংবাদ, ১২ নৱেম্বৰঃ কেবাদিনীয়া অপেক্ষাৰ অন্তত বুধবাৰে পুৱাৰে পৰা উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫ বিধানসভা সমষ্টি ক্ৰমে চামগুৰি, বিহালী, ছিদলী, ধলাই আৰু বঙাইগাঁৱত ভোটগ্ৰহণ সম্পন্ন হ'ব। ইতিমধ্যে সমষ্টিকেইটাৰ সদৰসমূহৰ পৰা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলে শেষাংশ ৩ পৃষ্ঠাত






## আলফাৰ নামত ধন দাবী, ধৃত দুজন

ই-সংবাদ, ডুমডুমা, ১২ নৱেম্বৰঃ আলফা স্বাধীনৰ নামত ধন দাবী কৰি তিনিচুকীয়া আৰক্ষীৰ শেষাংশ ৫ পৃষ্ঠাত

## ঝাৰখণ্ডত ভোট

ৰাঁচী, ১২ নৱেম্বৰঃ অসমৰ ৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ শেষাংশ ৩ পৃষ্ঠাত

## ছিপাঝাৰত আকৌ দুৰ্ঘটনা, নিহত যুৱক

ই-সংবাদ, ছিপাঝাৰ, ১২ নৱেম্বৰঃ ৰাষ্ট্ৰীয় ঘাইপথ নহয়, ৰাষ্ট্ৰীয় শেষাংশ ৭ পৃষ্ঠাত

## তিনিচুকীয়াত ভয়ংকৰ পথ দুৰ্ঘটনাত শিশুসহ নিহত একে পৰিয়ালৰ ৪ জন



ই-সংবাদ, ডুমডুমা, ১২ নৱেম্বৰঃ ঘন কুঁৱলী আৰু পথৰ দুৰৱস্থাৰ বাবে সংঘটিত হোৱা দুৰ্ঘটনাই মঙলবাৰে পুৱাই তিনিচুকীয়াত প্ৰাণ কাঢ়িছে একে পৰিয়ালৰ ৪ জনকৈ লোকৰ। তিনিচুকীয়া-ডিব্ৰুগড় বাইপাছৰ পানীতোলাৰ শেষাংশ ২ পৃষ্ঠাত

## শিৱসাগৰত সন্ধিয়া বোমাতংক
### গোলাঘাটতো আইইডি উদ্ধাৰ

ই-সংবাদ, শিৱসাগৰ, ১২ নৱেম্বৰঃ পাঁচ সমষ্টিৰ উপ-নিৰ্বাচন আৰু ৰাস পূৰ্ণিমাৰ প্ৰস্তুতিৰ মাজতে আজি সন্ধিয়া শেষাংশ ২ পৃষ্ঠাত



## দীঘলীপুখুৰীত গীত-কবিতাৰে চিত্ৰশিল্পীক গ্ৰেপ্তাৰৰ বিৰোধ

ই-সংবাদ বিশেষ, ১২ নৱেম্বৰঃ দীঘলীপুখুৰীপাৰত আজি সমৱেত হয় প্ৰায় তিনিকুৰী শিল্পী-সাহিত্যিক। শিল্পী-সাহিত্যিক সমাজে গীত-কবিতাৰে প্ৰতিবাদ সাব্যস্ত কৰি চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈক গ্ৰেপ্তাৰ কৰা কাৰ্যক নিন্দা কৰে। শিল্পী-সাহিত্যিকে কবিতা আবৃত্তি, গীত গাই চিত্ৰশিল্পী মাৰ্শ্বেল



বৰুৱা আৰু অংকুমান বৰদলৈক শীঘ্ৰেই মুক্তিৰ দাবী জনায়। শিল্পীৰ অধিকাৰ হনন কৰা বুলি শিল্পী-কবি-সাহিত্যিকে অভিযোগ আনে। শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত সন্ধিয়া বোমাতংক

ঐতিহাসিক শিৱসাগৰ চহৰৰ মাজমজিয়াত সৃষ্টি হয় হয় বোমাতংক। বিগত ১৫ আগষ্টৰ দিনা ৰাজ্যৰ আন স্থানৰ লগতে শিৱসাগৰৰো তিনিটা স্থানত তিনিটাকৈ শক্তিশালী আই ডি উদ্ধাৰৰ ঘটনাই সৃষ্টি কৰা চাঞ্চল্য অব্যাহত থকাৰ সময়তেই আজি পুনৰ শিৱসাগৰ চহৰৰ মাজমজিয়াত বোমা সদৃশ সামগ্ৰী উদ্ধাৰৰ ঘটনাই নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছে। শিৱসাগৰ চহৰৰ হৃদপিণ্ড স্বৰূপ দলৌমুখ চাৰিআলিৰ পৰা মাত্ৰ এশ মিটাৰ নিলগৰ এখন কাপোৰৰ গুমটিৰ সমুখতেই আজি সন্ধিয়া এই বোমা সদৃশ সামগ্ৰী উদ্ধাৰক লৈয়েই সৃষ্টি হৈছে এই চাঞ্চল্যৰ। ঘটনাৰ খবৰ পাই লগে লগেই ঘটনাস্থলীত উপস্থিত হোৱা অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিৰ নেতৃত্বত এটা দল ততাতৈয়াকৈ সন্দেহজনক মোনাটো বোমা প্ৰতিৰোধী ব্লেংকেটেৰে ঢাকি সুৰক্ষিত স্থানলৈ লৈ যায়। প্ৰাপ্ত বাতৰি মতে দলৌমুখ চাৰিআলিৰ হস্পিতেল ৰোডৰ পৌৰসভাৰ অন্তৰ্গত মুকলি বজাৰৰ ১০ নম্বৰ বিপনীখনৰ স্বত্বাধিকাৰী হেমন্ত সাহাই দিনৰ আহাৰ গ্ৰহণ কৰি আজি বিয়লি প্ৰায় চাৰি বাজি দহ মিনিটত নিজ প্ৰতিষ্ঠানৰ সন্মুখত এটা বজাৰৰ মোনা প্ৰত্যক্ষ কৰে। একে সময়তে সন্ধিয়া পদপথৰ কাষত ঘুগুনী বিক্ৰী কৰিবলৈ অহা আন এগৰাকী ক্ষুদ্ৰ ব্যৱসায়ীয়েও সেই স্থানত পৰি থকা মোনাটো আঁতৰাই নিজৰ ফেৰীখন লগাবলৈ লওতেই মোনাটোৰ ভিতৰত এটা নতুন চাৰ্ট প্ৰত্যক্ষ কৰে। লগে লগেই কোনো গ্ৰাহকে বেগটো এৰি থৈ যোৱাৰ সন্দেহ প্ৰকাশ কৰি বেগটো ভালদৰে পৰীক্ষা কৰাত বেগটোত সোমাই থকা চাৰ্টটোৰ তলত ৰচীৰে মেৰিয়াই থোৱা এটা বোমা সদৃশ টোপোলা দেখি আতংকিত হৈ পৰে। অতি ব্যস্ততাপূৰ্ণ অঞ্চলটোত সন্ধিয়াৰ ভাগত মোনাৰ ভিতৰত বোমা সদৃশ সামগ্ৰী প্ৰত্যক্ষ কৰি সমগ্ৰ চহৰখনতেই এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পায়েই আৰক্ষীৰ শীৰ্ষ বিষয়াৰ দল, বোমা নিৰীক্ষকৰ দল মেটেল ডিটেক্টৰসহ ঘটনাস্থলীত উপস্থিত হৈ সন্দেহজনক মোনাটো বোমা প্ৰতিৰোধী ব্লেংকেটেৰে ঢাকি জেঙনিকটীয়াত থকা আৰক্ষী ছাউনীৰ পিছফালৰ খেলপথাৰখনত সাজু কৰি থোৱা বালিৰ বস্তাৰ এক আৰেষ্টনীৰ মাজত ৰাখি থয়। স্থানীয় ব্যৱসায়ীসকলে জানিবলৈ দিয়া মতে আৰক্ষীৰ আই বি শাখাৰ কৰ্মচাৰীয়ে ব্যৱহাৰ কৰা মেটেল ডিটেক্টৰত বিস্ফোৰক থকাৰ বিশেষ সংকেত লাভ কৰা বুলি জানিবলৈ দিছে। স্মৰ্তব্য যে, বিগত ১৫ আগষ্টৰ পৰাই শিৱসাগৰত বোমাৰ আতংকই চাঞ্চল্যৰ সৃষ্টি কৰি আহিছে। আলফা স্বাধীনৰ জন্মভূমিখ্যাত শিৱসাগৰত ২০১৪ চনৰ পৰাই সংগঠনটোৱে কোনো ধৰণৰ কূটাঘাত সংঘটিত হোৱা নাছিল। কিন্তু চলিত বৰ্ষৰ ১০ জানুৱাৰীত জয়সাগৰ চিআৰপিএফৰ কেম্পত গ্ৰেনেড বিস্ফোৰণ, বিগত ১৫ আগষ্টত নগৰৰ দৰিকাপাৰৰ পৰিবহণ বিভাগৰ কাৰ্য্যালয়ৰ চৌহদ আৰু বিজি ৰোডৰ এখন পৰিত্যক্ত এম্বুলেন্সত দুটাকৈ শক্তিশালী আইইডি উদ্ধাৰৰ লগতে লাকুৱা অঞ্চলতো এটা আইইডি সংস্থাপনৰ নিশ্চিত তথ্য লাভ কৰিছিল যদিও আজি পৰ্যন্ত উল্লেখিত আইইডিটো উদ্ধাৰ নহ'ল। আনহাতে যোৱা ৬ অক্টোবৰত অ'এনজিচিৰ বকতা নেমুগুৰিৰ এটা ৰিগৰ পৰা পাঁচগৰাকী অ'এনজিচিৰ বিষয়াক অপহৰণৰ ভয়ংকৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল আলফা স্বাধীনৰ নেতা আইচেং অসমে। সেই দিনা চাৰিগৰাকী সশস্ত্ৰ আলফা স্বাধীনৰ কেডাৰে শিৱসাগৰ চহৰৰ মাজেদি পাৰ হৈ যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথত অৱস্থান কৰিছিল অপহৰণ কাৰ্য্য ৰূপায়ণৰ বাবে। কিন্তু এক কাৰিকৰী বিজুতিৰ বাবে সেয়া সম্ভৱ নহ'ল। ঘটনা সন্দৰ্ভত ১৪ অক্টোবৰৰ পুঁৱতি নিশাৰ পৰা আলফা স্বাধীনৰ নিৰ্দেশিত অপহৰণৰ ভয়ংকৰ ষড়যন্ত্ৰ ৰচনা কৰা ঘটনাৰ লগত জড়িত ইৰচাদ লটিফ, চফিকুৰ ৰহমান, ত্ৰিনয়ন বাৰুৱতী, মুবিন হাজৰিকা, জৰিফতদ্দিন আহমেদ, তাহিৰুল হুছেইন আৰু ৰাহুল হাজৰিকা ওৰফে লাডেন গ্ৰেপ্তাৰ হৈছিল। ইয়াৰে ৰাহুল হাজৰিকা ১৫ অক্টোবৰৰ পুঁৱা আৰক্ষীৰ গুলীত আহত হৈছে। সমগ্ৰ ঘটনাৰ সম্পৰ্কত ১৩ দিনৰ অন্তত নাটকীয়ভাৱে আত্মসম্পৰ্ণ কৰা ঘটনাৰ মাষ্টাৰ মাইণ্ড তথা অ'এনজিচিৰ বিষয়া তাহিৰুল হুছেইনক কাৰাগাৰৰ পৰা এটা সপ্তাহৰ অন্তত জেৰাৰ বাবে আৰক্ষীয়ে নিজৰ জিম্মাত লৈছিল। আৰক্ষীৰ জেৰাত তাহিৰুলে এনে কেতবোৰ বিস্ফোৰক স্বীকাৰোক্তি প্ৰদান কৰিছিল যাৰ বাবে ৬ নৱেম্বৰৰ ষট পূজাৰ আগদিনাৰ পৰা সমগ্ৰ জিলাখনতেই বিস্ফোৰক অথবা কূটাঘাতৰ আশংকাত ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছিল। বিশেষকৈ এলানি কূটাঘাত তথা আলফী স্বাধীনৰ তৰফৰ পৰা একাংশ অনা অসমীয়া ব্যৱসায়ীক ধন দাবীৰ প্ৰস্তুতিৰ সম্পৰ্কতো আৰক্ষীৰ চোৰাংচোৱাই সম্ভাব্য বহু সংখ্যক ব্যৱসায়ীক সতৰ্ক কৰি দিছিল। কিন্তু সেই সতৰ্কবাণীৰ তিনি ঘন্টাৰ পিছতেই একাংশ বিহবৰৰ শিলৰ ব্যৱসায়ীক আলফা স্বাধীনৰ তৰফৰ পৰা ফোনযোগে ধন সাজু কৰি থোৱাৰ সংবাদ শেহতীয়াকৈ সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। আনহাতে বিগত প্ৰায় দুমহীয়া প্ৰস্তুতিৰ অন্তত ভয়ংকৰ অপহৰণ ষড়যন্ত্ৰৰ লগতে এলানি কূটাঘাতৰ প্ৰস্তুতিৰ অংশ হিচাপে আলফা স্বাধীনে ২৭ নবেম্বৰৰ প্ৰতিবাদ দিৱসৰ প্ৰাকঃক্ষণত শিৱসাগৰত শক্তি প্ৰদৰ্শনৰ বাবে চেষ্টা চলোৱাৰ সম্পৰ্কত আৰক্ষীয়ে সৰ্বাধিক সতৰ্কতা অৱলম্বনৰ সময়তেই আজি নগৰৰ মাজমজিয়াত বোমা সদৃৰ্শ সামগ্ৰী উদ্ধাৰৰ ঘটনাই নতুন মোৰ লৈছে। ইতিমধ্যে শীৰ্ষ আৰক্ষী মহলে সন্দেহজনক সামগ্ৰী বিধৰ সম্পৰ্কত আনুষ্ঠানিকভাৱে কোনো তথ্য প্ৰদান কৰা নাই যদিও সুৰক্ষিত স্থানত ৰখা মোনাটোৰ ভিতৰত সোমাই থকা সন্দেজনক সামগ্ৰীৰ পৰীক্ষাৰ বাবে দেৰগাও আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰ আৰু যোৰহাট লিচুবাৰীস্থিত সেনাৰ বোমা বিশেষজ্ঞৰ দল ৰাওনা হোৱাৰ বাতৰি পোৱা গৈছে।

**গোলাঘাটতো আইইডি উদ্ধাৰ**

**ই-সংবাদ, গোলাঘাট, ১২ নৱেম্বৰঃ** গোলাঘাটত আজি নিশা বোমাতংকৰ সৃষ্টি হয়। গোলাঘাটৰ ৰঙাজানৰ টোলগেটৰ সমীপত এখন অটোৰ পৰা এটা আইইডি উদ্ধাৰ কৰাক লৈ সৃষ্টি হয় তীব্ৰ চাঞ্চল্যৰ। ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত দুজন লোকক আটকো কৰা হৈছে। ধৃত লোক দুজন হৈছে অজয় শ্যাম আৰু টিকেন কুৰ্মী। এএছ-০৫-চি-৫৭৩৪ নম্বৰৰ অটোখনত আইইডি সৰবাৰহ কৰিছিল অজয় শ্যাম আৰু টিকেন কুৰ্মীয়ে। দুয়োজনকে আনলাৰ সদস্য বুলি সন্দেহ কৰা হৈছে। উদ্ধাৰ হোৱা আইইডি ডিমাপুৰৰ পৰা কোনো কূটাঘাটৰ উদ্দেশ্যে অনাৰ সন্দেহ কৰা হৈছে। আৰক্ষীয়ে সন্দেহ কৰা মতে, আইইডি শিৱসাগৰলৈ নি আছিল। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ধৃত লোক দুজনক সোধা-পোছা অব্যাহত ৰখাৰ লগতে অধিক অনুসন্ধান আৰম্ভ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনিচুকীয়াত ভয়ংকৰ পথ দুৰ্ঘটনাত

সমীপৰ ওকনিমূৰীয়া দিহিংগীয়া গাঁৱত সংঘটিত হৈছে এই শোকাৱহ দুৰ্ঘটনাটো। ঘন কুঁৱলীৰ লগতে পথছোৱাত ৰোড ডাইভাৰছনৰ কোনো সাংকেতিক চিহ্ন নথকা বাবেই পথ মণিব নোৱাৰি বাহনখনৰ চালকে নিয়ন্ত্ৰণ হেৰুৱাই নিৰ্মীয়মান দলঙত খুন্দা মাৰি তলৰ খাৱৈত পৰি যোৱাৰ অনুমান কৰা হৈছে। প্ৰাপ্ত বাতৰি মতে, মঙলবাৰৰ পুৱা প্ৰায় ৫ বজাত তিনিচুকীয়া-ডিব্ৰুগড় বাইপাছৰ পানীতোলাৰ সমীপৰ এই শোকাৱহ পথ দুৰ্ঘটনাটোত এটি ৭ বছৰীয়া শিশুসহ ৪ জন লোক থিতাতে নিহত হয়। ঘটনাৰ বিৱৰণী অনুসৰি অহা ১৬ নৱেম্বৰত ভতিজীৰ বিয়াৰ বাবে বিহাৰৰ কাটিহাৰ জিলাৰ পৰা তিনিচুকীয়াৰ টিলিঙা মন্দিৰখ্যাত বৰডুবিলৈ অহা ৪ জনীয়া পৰিয়ালটিয়ে ৰাজধানী এক্সপ্ৰেছযোগে আহি কাহিলিপুৱা ডিব্ৰুগড়ৰ বাণীপুৰ ষ্টেচনত নমাত ককায়েক মোহন শ্বাহে ভতিজা মণ্টু শ্বাহৰ সৈতে মাৰুতি ছুইফট বাহনখনেৰে নিজৰ ভনীয়েকৰ পৰিয়ালক আগবঢ়াই আনিবলৈ গৈছিল। বাণীপুৰ ষ্টেচনৰ পৰা আহি উক্ত স্থানত ঘন কুঁৱলীৰ বাবে নিয়ন্ত্ৰণ হেৰুৱাই বাইপাছৰ নিৰ্মীয়মান এখন দলঙত খুন্দা মাৰি কাষৰ দ-গাঁতত বাহনখন সোমাই পৰাত থিতাতে নিহত হয় চালক বৰডুবিৰ মণ্টু শ্বাহ (৩০), মোহন শ্বাহ (৫১), বিহাৰৰ ৰাজেশ গুপ্তা (৩০) আৰু এগৰাকী ৭ বছৰীয়া শিশু। ঘটনাৰ খবৰ পায়েই স্থানীয় লোক আহি ঘটনাস্থলীত উপস্থিত হোৱাত আৰক্ষীক খবৰ দিয়ে। স্থানীয় ৰাইজৰ তৎপৰতাত আৰক্ষীয়ে মৃতদেহকেইটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ বিপৰীতে গুৰুতৰভাৱে আহত মাতৃ-কন্যাক চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰে। উক্ত ঘটনাই তিনিচুকীয়াত শোকৰ ছাঁ পেলাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পাঁচ সমষ্টিত আজি ভোটগ্ৰহণ

হাতত ইভিএম মেচিন লৈ ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে। নিশা ভোটকেন্দ্ৰত কটাই কাইলৈ পুৱাৰে পৰা ব্যস্ত হৈ পৰিব প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল। অসম আৰক্ষীয়ে ভোটকেন্দ্ৰসমূহত নিৰাপক্ষা ব্যৱস্থা গঢ়ি তুলিব বুলি জানিব পৰা গৈছে। নিৰ্বাচন আয়োগে ভোটকেন্দ্ৰৰ দায়িত্বত পুৰুষৰ সমানে মহিলা বিষয়াকো নিয়োগ কৰিছে। তাৰ মাজতে আজি মুখ্য বিৰোধী দল কংগ্ৰেছে ৰাজ্য প্ৰশাসনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। নগাঁও আৰক্ষীয়ে বিজেপি দলৰ হৈ কাম কৰাৰ অভিযোগ আনিছে কংগ্ৰেছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই চামগুৰি সমষ্টিত নগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাৰ নেতৃত্বত কংগ্ৰেছৰ নেতা কৰ্মীক হাৰাশাস্তি কৰা হৈছে বুলি দাবী কৰে। কংগ্ৰেছৰ এজেণ্টক ভয়-ভাবুকি দিয়া হৈছে বুলিও এক সংবাদমেলত অভিযোগ কৰে বৰাই। উল্লেখ্য যে, ১১ নৱেম্বৰৰ আবেলি ৪ বজাত নিৰ্বাচনী প্ৰচাৰৰ সামৰণি পৰাৰ পাছতে ভোটদানৰ বাবে সাজু হৈছে ভোটাৰসকল। কাইলৈ পুৱা ৭ বজাৰ পৰা ভোটাধিকাৰ সাব্যস্ত কৰিব ভোটাৰে আৰু আবেলি ৫ বজাত ভোটগ্ৰহণৰ অন্ত পৰিব। ধলাই, বঙাইগাঁও, চিদলী, চামগুৰি আৰু বিহালী সমষ্টিত মুঠ ৩৪ প্ৰাৰ্থীৰ ভাগ্য ইভিএমত বন্দী হ'ব। বঙাইগাঁও সমষ্টিত ১,৮২,৩৫৪ গৰাকী, বিহালী সমষ্টিত ১,৩২,৫৭৯ গৰাকী, ধলাই সমষ্টিত ১,৯৭,৬৪২ গৰাকী, চিদলীত সমষ্টিত ২,১৭,২৩৬ গৰাকী, চামগুৰি সমষ্টিত ১,৮০,৮৫৪ গৰাকী ভোটাৰ আছে। ৫ সমষ্টিত মুঠ ভোট হৈছে ৯ লাখ ১০ হাজাৰ ৬৬৫ গৰাকী। ধলাইত ২০৮টা, চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, বিহালীত ১৫৪টা, চামগুৰিত ১৯৭টা ভোটকেন্দ্ৰ আছে। মুঠ ১ হাজাৰ ৭৮টা কেন্দ্ৰত ৰাইজে ভোটদান কৰিব। বিটিআৰৰ চিদলীত ত্ৰিকোণীয় প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। ইউপিপিএলৰ নিৰ্মল কুমাৰ ব্ৰহ্ম, বিপিএফৰ শুদ্ধ বসুমতাৰী আৰু কংগ্ৰেছৰ সঞ্জীৱ ৰাৱীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। সকলো কেইজন প্ৰাৰ্থীয়ে তীব্ৰ প্ৰচাৰ চলোৱাত নিৰ্বাচনী পৰিৱেশ গৰম হৈ পৰিছিল সমষ্টিটোত। ইপিনে নামনি অসমৰ আন এটা সমষ্টি বঙাইগাঁৱত কংগ্ৰেছ আৰু অগপৰ মুখামুখি প্ৰতিদ্বন্দ্বিতা হোৱাটো খাটাং। বঙাইগাঁৱত নিৰ্দলীয়সহ ৮ গৰাকী প্ৰাৰ্থী আছে যদিও এনডিএৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰী আৰু কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিনহাৰ মাজত মূল প্ৰতিদ্বন্দ্বিতা হ'ব। এছইউচিআইৰ মৃত্যুঞ্জয় ৰাভা, নিৰ্দলীয় তথা প্ৰাক্তন অগপ নেতা শৈলেন্দ্ৰ সৰকাৰ, অনুপ কুমাৰ কৰ্মকাৰ, ভদ্ৰেশ্বৰ বৰ্মন, গৌতম ৰায় আৰু দীপক দাসেও প্ৰতিদ্বন্দ্বিতা কৰিছে। বিহালী উপ-নিৰ্বাচনতো কংগ্ৰেছ আৰু বিজেপিৰ মাজত মূল প্ৰতিদ্বন্দ্বিতা হ'ব। বিহালীতো চাৰিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। সমষ্টিটোত বিজেপিৰ দিগন্ত ঘাটোৱাৰ, কংগ্ৰেছৰ জয়ন্ত বৰা, চিপিআইএমএলৰ লক্ষীকান্ত কুৰ্মী আৰু আপৰ অনন্ত গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই সমষ্টিত যদিও ৮গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে তথাপিও কংগ্ৰেছ-বিজেপিৰ মাজতে প্ৰতিদ্বন্দ্বিতা হ'ব। বিজেপিৰ নিহাৰ ৰঞ্জন দাস, কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰুকায়স্থ, নিৰ্দলীয় অমলেন্দু দাস, ধীৰাজ দাস, দিলীপ কুমাৰ ধুবী, পৰিমল দাস, ৰাজু দাস আৰু গৌৰ চন্দ্ৰ দাসে প্ৰতিদ্বন্দ্বিতা কৰিছে। কিন্তু সমষ্টিটোত মূল যুঁজখন বিজেপিৰ নিহাৰ ৰঞ্জন দাস, কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰুকায়স্থৰ মাজতে হোৱাতো নিশ্চিত বুলিব পাৰি। চামগুৰি সমষ্টিতো প্ৰতিদ্বন্দ্বিতা কংগ্ৰেছ আৰু বিজেপিৰ মাজতে হ'ব। বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মা আৰু কংগ্ৰেছৰ তাঞ্জিল হুছেইনৰ মাজত হ'ব প্ৰতিদ্বন্দ্বিতা। নুৰুল আমিন চৌধুৰী, ৰবুল হক, মোছাব্বিৰ আলি আহমেদ, আব্দুল মাজিদ, বীৰেন বচাক, ফাতেমা খাতুন, শশী তাতী, জেহিৰুল ইছলাম আৰু আব্দুছ চবুৰ মিঞাই নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে। কাইলৈ ভোটগ্ৰহণৰ অন্তত ৫ সমষ্টিত শেষ হাঁহি কোনে মাৰিব সেয়া ২৩ নৱেম্বৰলৈ অপেক্ষা কৰিব লাগিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষী নিৰপেক্ষ হ'ব লাগেঃ ভূপেন বৰা

সভাপতি ভূপেন বৰাই আজি নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এক সংবাদমেলত কয় যে নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ সময়ত আৰক্ষী নিৰপেক্ষ হ'ব লাগে। অকল সেয়াই নহয়, আয়োগৰ নিৰ্দেশতহে আৰক্ষী চলিব লাগে। নগাঁৱৰ চামগুৰিত আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীৰ ওপৰত আতিশয্য অব্যাহত ৰাখিছে। এই ব্যৱস্থা বাহাল থাকিলে আমি কংগ্ৰেছে আৰক্ষীৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ম। এক সংবাদমেল সম্বোধন কৰি বৰাই কয়, নগাঁও আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীক হাৰাশাস্তি কৰিবলৈ আৰম্ভ কৰিছে। অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাই সম্পূৰ্ণ একপক্ষীয়ভাৱে কংগ্ৰেছ দলৰ নেতা-কৰ্মীৰ ওপৰত অবিৰতভাৱে হাৰাশাস্তি আৰম্ভ কৰি আহিছে। মঙলবাৰে পুৱাৰ ভাগত বিনা কাৰণত ব্ৰহ্মবিল আৰু খাটোৱাল গাঁৱত কংগ্ৰেছৰ নিৰ্বাচনী এজেণ্টৰ ঘৰলৈ গৈ কোনো কথা নোহোৱাকৈ ভাবুকি দিছে। চামগুৰি,ৰূপহী আৰক্ষী আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাই এইধৰণৰ আইন নিজৰ হাতত লৈ কাম কৰিছে। আজি ৰাতিপুৱা ডিজিপি জি.পি সিং, নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলক এই কথা অৱগত কৰিছো। যদি আৰক্ষী আৰু নিৰ্বাচন আয়োগ নিৰেপক্ষ নহয় তেন্তে উলুবাৰীৰ ডিজিপিৰ কাৰ্যালয়ৰ সন্মুখত অনশনত বহাৰ কথা কৈছিলো। তেতিয়া ডিজিপি জিপি সিঙে নগাঁও আৰক্ষীক নীতিগতভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়া বুলি জানিবলৈ দিয়ে। কংগ্ৰেছৰ তিনিজন ল'ৰাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি ৰাখিছে। মই এই কথা নকও যে ল'ৰাকেইজন দোষী নে নিৰ্দোষী। কিন্তু গুলী কোনে ফুটাইছে, তাঞ্জিল হুছেইনৰ গাড়ী কোনে ভাঙিছে, কংগ্ৰেছৰ ৫-৬ জন বিধায়কৰ গাড়ী কোনে ভাঙিছে তাৰো ভিডিঅ' ফুটেজ আছে। যিয়ে নহওক ডিজিপিজনে মোক এটা বাৰ্তা দিছো। অসমৰ আৰক্ষী সঞ্চালক প্ৰধানজনৰ বাৰ্তাটোৰ প্ৰতি মই সন্মান জনাইছো। তেখেতে কৈছে যে নগাঁও আৰক্ষীয়ে নিৰেপেক্ষ আৰু আইনগতভাৱে ব্যৱস্থা গ্ৰহণ কৰিব। আমি চকু ৰাখিম। ৫ সমষ্টিৰ ভোটগ্ৰহণ শান্তিপূৰ্ণ, নিৰপেক্ষ হওক। ৰাইজে গণতান্ত্ৰিক অধিকাৰ শান্তিপূৰ্ণভাৱে সাব্যস্ত কৰক। সিদ্ধান্ত যি হ'ব সেয়া আমি সকলোৱে মানি ল'ম। আজিৰ সংবাদমেলত অসমত বিৰোধী বিহীনভাৱে চৰকাৰ চলাব খোজাৰ অভিযোগ আনি ভূপেন বৰাই কয় যে বিৰোধীবিহীন চৰকাৰ একনায়কত্ববাদী হ'ব। আমি ৰাইজৰ হৈ কাম কৰি আছো। বিৰোধী হোৱাতো পাপ নেকি? বিৰোধী হৈ নিৰ্বাচন খেলাতো পাপ নেকি? বিজেপি আৰু চৰকাৰে কি বুজাব বিচাৰিছে? হিমন্ত বিশ্ব শৰ্মাই কেতিয়াও বিৰোধীত থাকি পোৱা নাই। কিয়নো হিমন্ত বিশ্ব শৰ্মাই আদৰ্শক বিশ্বাস নকৰে। নীতিক বিশ্বাস নকৰে। হিমন্ত বিশ্ব শৰ্মাই কেৱল ধন সৰ্বস্ব, ক্ষমতা সৰ্বস্ব ৰাজনীতিতহে বিশ্বাসী বুলিও সংবাদমেলত ভূপেন বৰাই মন্তব্য কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝাৰখণ্ডত ভোট

লগতে ঝাৰখণ্ডৰ ৮১টা বিধানসভা সমষ্টিৰ ৪৩টা সমষ্টিতো বুধবাৰে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজ্যখনত ১৫,৩৪৪টা বুথত ৬৮৩গৰাকী প্ৰাৰ্থীয়ে নিজৰ ভাগ্য পৰীক্ষা কৰিব। ঝাৰখণ্ডৰ উপৰি বুধবাৰে কেৰালাৰ ৱায়নাড উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী প্ৰিয়ংকা গান্ধীৰ ভাগ্য নিৰ্ণয় হ'ব। বুধবাৰে অসমৰ ৫ খন, পশ্চিমবংগৰ ৬খনকে ধৰি ১০খন ৰাজ্যৰ ৩১টা বিধানসভাত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ঝাৰখণ্ডৰ ভোটগ্ৰহণ হ'বলগীয়া ৪৩টা সমষ্টিৰ ভিতৰত ১৭টা সমষ্টিত বিগত নিৰ্বাচনত মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনৰ ঝাৰখণ্ড মুক্তি মৰ্চাই জয়লাভ কৰিছিল। এই ৪৩ খন আসনৰ ভিতৰত ২০খন আসন অনুসূচিত জাতি আৰু ৬ খন অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। অনুসূচিত জাতিৰ বাবে সংৰক্ষিত আসনৰ ভিতৰত ১২খন আসন জেএমএম আৰু ৫খনত কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পুনৰ এইবাৰৰ লোকসভা নিৰ্বাচন অনুসৰি এই ৪৩খন আসনৰ ভিতৰত ২৬খন আসনত বিজেপি আগবাঢ়ি আছে। ১৭ টা সমষ্টিত আগবাঢ়ি আছে জেএমএম।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দীঘলীপুখুৰীত গীত-কবিতাৰে চিত্ৰশিল্পীক

এই প্ৰতিবাদত বিশিষ্ট কবি নীলিম কুমাৰ আৰু বোলছবি নিৰ্মাতা হিমাংশু প্ৰসাদ দাসে অংশ গ্ৰহণ কৰে। বিশিষ্ট কবি নীলিম কুমাৰে গছৰ মালিতা শীৰ্ষক কবিতা পাঠ কৰি চৰকাৰৰ এনে হঠকাৰী কাণ্ডক সমালোচনা কৰে। পৌৰ নিগমৰ কাৰ্যালয়লৈ গছ এজোপা সোমাই আহিল/ আহিয়েই মেয়ৰৰ টেবুলত মূৰ আফলিয়াই আফলিয়াই কান্দিব ধৰিলে/সৰা পাতেৰে মেয়ৰৰ ৰুম ভৰি গ'ল/গছজোপাৰ চকুপানীৰ টোপালেৰে মেয়ৰৰ টেবুল তিলমিলাবলৈ ধৰিলে/তাৰ পিছত চকু মোহাৰী মোহাৰী এটা সৰু গলিৰে গছজোপা গুছি গ'ল/গোটাই নগৰখনতে বিয়পি গ'ল ৰহস্যময় গছজোপাৰ কাহিনী। দীঘলীয়া কবিতাটো পাঠ কৰি নীলিম কুমাৰে চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈৰ গ্ৰেপ্তাৰক তীব্ৰ নিন্দা কৰি শীঘ্ৰে মুকলি কৰি দিয়াৰ দাবী জনায়। বোলছবি নিৰ্মাতা হিমাংশু প্ৰসাদ দাসে চৰকাৰে শিল্পীক অপমান কৰাৰ অভিযোগ আনি কয় যে আৰক্ষী, বিধানসভা, সচিবালয়ত কৰ্মৰত বিষয়াসকলেও এন বিষয়ত মাত মাতিব লাগে। কিয়নো এইখন সমাজত আমি সকলোৰে থাকিব লাগিব। আমি গুছি যাম, কিন্তু আমাৰ পিছৰ প্ৰজন্ম থাকি যাব। পৃথিৱীখনত আমাৰ টকা পইছা ধেৰ হ'ল, অফিচ বহু হ'ল। কিন্তু যেতিয়া আমাৰ পানী পিঁয়াহ লাগিব তেতিয়া ৫০০ টকীয়া নোট এখন খাবলৈ দিলে পিঁয়াহ গুছি নাযায়। উশাহ ল'ব লাগিলে আমাক অক্সিজেনেই লাগিব। অক্সিজেনৰ সলনি ২০০০ টকীয়া নোট দি এইখন খা বুলি ক'লে অক্সিজেন মানুহৰ ভিতৰত যাব নেকি বুলি প্ৰশ্ন কৰে হিমাংশু প্ৰদাস দাসে। আনহাতে শিল্পীৰ বিপদৰ সময়ত সহ শিল্পীয়ে মাত নমতাত আক্ষেপ ব্যক্ত কৰি কয় যে আজি আমি ভাবিছো যে আজি বেলেগৰ ঘৰ জ্বলিছে মইনো কিয় যাও। যেতিয়া কালি নিজৰ ঘৰটো জ্বলিব, কাৰ ঘৰ কেতিয়া জ্বলিব তাৰ সীমা নাই। প্ৰতিজন শিল্পীয়ে সময় থাকোতেই এনেকুৱা কামৰ বিৰোধ কৰা উচিত। দাসে চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমানক মুকলি কৰি দিয়াৰ দাবী জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত কবি কুকিল দত্ত, চিত্ৰশিল্পী নিখিলেশ্বৰ বৰুৱাসহ কলেজীয়া ছাত্ৰ-ছাত্ৰী, যুৱ-ছাত্ৰ সংগঠনৰ নেতা-কৰ্মী উপস্থিত থাকে। দুৰ্ধৰ্ষ অপৰাধীৰ দৰে ব্যৱহাৰ কৰি গুৱাহাটী আৰক্ষীয়ে চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈ নামৰ যুৱকক জেললৈ প্ৰেৰণ কৰিছে। ৰাজ্যৰ উদিয়মান চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱাক ২৪ ঘণ্টা ধৰি জেৰাৰ অন্তত গুৱাহাটী মহানগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ১০ নৱেম্বৰৰ পুৱতি নিশা এটা কোঠাৰ পৰি ধৰি আনি ২৪ ঘণ্টা থানাত ৰাখি চিত্ৰশিল্পী আৰু সহযোগীক গ্ৰেপ্তাৰ কৰা হৈছিল। ২৪ ঘণ্টীয়া জেৰাৰ অন্তত উদিয়মান চিত্ৰশিল্পী মাৰ্চেল বৰুৱা আৰু অংকুমান বৰদলৈক ১১ নৱেম্বৰত গুৱাহাটী মহানগৰীৰ ভৰলুমুখ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। এটা দিন আৰু এটা নিশা আৰক্ষী থানাত জেৰা কৰি পিছদিনা পুৱাই গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাত ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে চিত্ৰশিল্পী মাৰ্চেল বৰুৱা আৰু অংকুমান বৰদলৈক। ৯ নৱেম্বৰৰ নিশা ভৰলুমুখত মাৰ্শ্বেল বৰুৱা আৰু কেইজনমান সহযোগীয়ে পথৰ দাঁতিৰ দেৱালত এখন ছবি অংকন কৰিছিল। এই ছবিখনৰ জড়িয়তে সেঁতু নিৰ্মাণৰ নামত ভৰলুমুখৰ গছ কাটিব খোজা কাৰ্যৰ বিৰোধ কৰিছিল। এই চিত্ৰখনত এটা শব্দ 'কিক হিমন্ত চেভ নেচাৰ' লিখা আছিল। ফটো পোহৰলৈ অহাৰ পাছতে চিত্ৰশিল্পী মাৰ্চেল বৰুৱা, অংকুমান বৰদলৈ আৰু কমল কুমাৰক আটক কৰা হৈছিল। ইয়াৰ পিছতে ৰাজ্যজুৰি সৃষ্টি হয় প্ৰতিক্ৰিয়া।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাহিত্য সভাৰ পেনেল

সংশোধন কৰি সভাপতি পদৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ সভাপতি পদৰ দৌৰৰ পৰা গিৰীশ সন্দিকৈয়ে নাম প্ৰত্যাহাৰ কৰাৰ পাছতে আজি অসম সাহিত্য সভাই সভাপতি পদৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। পূৰ্বে অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী হ'বলৈ গিৰীশ সন্দিকৈয়ে কুচকাৱাজ চলাই থকাৰ খবৰে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। অসম সাহিত্য সভাৰ দৰে চিৰনমস্য জাতীয় অনুষ্ঠানত নাম-গোন্ধ নথকা তথা সাহিত্যৰ জগতত অহিৰণা-অৱদান নোহোৱা অসাহিত্যিকক সভাপতি পদৰ প্ৰাৰ্থী কৰিব খোজাত ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। গিৰীশ সন্দিকৈয়ে আজি কয় যে মই পূৰ্বেই নিজৰ নামটো প্ৰত্যাহাৰ কৰিব লাগিছিল। কিন্তু পূৰ্বে নাম প্ৰত্যাহাৰ নকৰাটো ভুল আছিল বুলি কৈ আজি নিজৰ নাম প্ৰত্যাহাৰ কৰে। গিৰীশ সন্দিকৈয়ে নাম প্ৰত্যাহাৰ কৰাত অসম সাহিত্য সভাৰ উচ্চস্তৰীয় সমিতিয়ে জৰুৰী বৈঠক অনুষ্ঠিত কৰে। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি ২০২৫-২৭ চনৰ কাৰ্যকালৰ বাবে সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ নাম প্ৰকাশ কৰে। এই তালিকাত ড০ বসন্ত কুমাৰ গোস্বামী, ড০ গোবিন্দ প্ৰসাদ শৰ্মা, ড০ উপেন ৰাভা হাকাচাম, অনুৰাধা শৰ্মা পূজাৰী আৰু ড০ ভীমকান্ত বৰুৱাৰ নাম প্ৰকাশ কৰা হৈছে। নাম প্ৰকাশৰ পাছতে ৫গৰাকী লোকৰে সপক্ষে-বিপক্ষে চৰ্চা চলা পৰিলক্ষিত হৈছে। কিছু লোকে এগৰাকী জনজাতীয় লোকক সভাৰ সভাপতি কৰাৰ আহ্বান জনাইছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক তথা সাহিত্যিক ড০ উপেন ৰাভা হাকাচামক সভাপতি কৰাৰ দাবী জনাইছে। ইপিনে সাংবাদিক তথা সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে এই পৰ্যন্ত প্ৰাৰ্থী হ'ব নে নাই সেই কথা ঠিৰাং কৰা নাই। পৰিয়াল, শুভকাংক্ষীৰ সৈতে কথা পাতি সিদ্ধান্ত লোৱাৰ কথা প্ৰকাশ কৰিছে অনুৰাধা শৰ্মা পূজাৰীয়ে। কিন্তু সাহিত্য সভাৰ সভাপতি পদৰ পেনেলত নাম প্ৰকাশৰ পাছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ড০ ভীমকান্ত বৰুৱাই। সভাপতি পদত নাম অন্তৰ্ভুক্ত কৰাত অসম সাহিত্য সভাক ধন্যবাদ জ্ঞাপন কৰি ড০ ভীমকান্ত বৰুৱাই সভাপতি পদত নিৰ্বাচন নেখেলাৰ কথা প্ৰকাশ কৰে। ইয়াৰ পিছতো সভাক লৈ অব্যাহত আছে বিভিন্ন বিতৰ্ক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# টকা! জয়ন্ত বৰাৰ হোটেলত নিশা

বাকী থকা অৱস্থাত বিহালীৰ কংগ্ৰেছৰ প্ৰাৰ্থী জয়ন্ত বৰাৰ ব্যৱসায়িক প্ৰতিষ্ঠানত অভিযান চলাইছে অসম আৰক্ষীয়ে। বিশ্বনাথ চাৰিআলিস্থিত ৰয়েল পেলেচ আৰু ৰয়েল আবাসত আজি বৃহৎ আৰক্ষীৰ দলে অভিযান চলায়। অৰ্ধসামৰিক বাহিনীৰ দল লগত লৈ আৰক্ষীৰ দলে দুয়োখন হোটেল তন্ন-তন্নকৈ তালাচী চলাই। বিশ্বনাথ চাৰিআলিৰ ৰয়েল পেলেচ আৰু ৰয়েল আবাসত বহু কংগ্ৰেছ নেতা-কৰ্মী থকাৰ সময়তে কোনো লোকক ওলোৱা-সোমোৱা কৰিব নিদি বৃহৎ আৰক্ষীৰ দলে ঘেৰি লৈ অভিযান চলাই গৈছে। ভিতৰত সাংবাদিককো প্ৰৱেশ কৰিব দিয়া নাছিল। বিশ্বনাথ জিলাৰ অতিৰিক্ত আয়ুক্তৰ নেতৃত্বত চলা অভিযানত নগদ টকা বা কোনো লোকক আটক কৰা হৈছে নেকি সেই খবৰ পোৱা হোৱা নাই। বিহালীৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ ৰয়েল পেলেচ আৰু ৰয়েল আৱাস নামৰ হোটেলত টকা বিতৰণ কৰি থকাৰ সন্দেহ কৰা হৈছিল। সেই খবৰ গোপনে দিয়া হৈছিল আৰক্ষীক। আৰক্ষীয়ে কংগ্ৰেছ নেতা, কৰ্মী থকাৰ সময়তে অভিযান চলাই। ধনৰ লেনদেনৰ কিবা তথ্য তথা নগদ ধন উদ্ধাৰৰ বিষয়ে আৰক্ষীয়ে সাংবাদিকক অৱগত কৰা নাই। উল্লেখ্য, উপ-নিৰ্বাচন অনুষ্ঠিত বিহালীৰ লগতে অসমৰ আন চাৰিটা বিধানসভা সমষ্টিত কাইলৈ পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুৱা ৭ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ভোটগ্ৰহণৰ পূৰ্বে কংগ্ৰেছ প্ৰাৰ্থীৰ আৱাসত আৰক্ষীয়ে এনেকৈ অভিযান চলোৱাক লৈ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# অভিভাৱক মন্ত্ৰীৰ বৈধতাক লৈ প্ৰশ্ন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ক্ষেত্ৰত কি নীতি গ্ৰহণ কৰিছে সেই কথা ৰাজ্য চৰকাৰক জনাবলৈ নিৰ্দেশ দিছে। উল্লেখ্য যে, ২০২৩ চনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিৰ পাতনি মেলিছিল আৰু স্নাতক, পলিটেকনিকেল ডিপ্ল'মা, দশম উত্তীৰ্ণ আদিক ২ লাখ আৰু ইঞ্জিনীয়াৰিং, মেডিকেল, মীন পালন, কৃষি আদিকে ধৰি পেছাদাৰী ডিগ্ৰীধাৰী নিবনুৱাক ৫ লাখ টকা পৰ্যন্ত সাহায্য দিয়াৰ ব্যৱস্থা কৰা এই আঁচনিত বহু যোগ্য প্ৰাৰ্থী বঞ্চিত হোৱাৰ অভিযোগ উত্থাপিত হৈছিল। ৫০ শতাংশ ৰাজ সাহায্য আৰু ৫০ শতাংশ সুতবিহীন ঋণ হিচাপে দিয়া এই আঁচনিৰ বাবে অভিভাৱক মন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ এখন সমিতি গঠন কৰা হয় আৰু অভিভাৱক মন্ত্ৰীজনে নিজৰ পছন্দৰ প্ৰাৰ্থীৰে হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰে। নাজিৰা সমষ্টিৰ ৪গৰাকী নিবনুৱা প্ৰাৰ্থীয়ে দাখিল কৰা দুখন লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীয়ে চৰকাৰৰ স্বচ্ছতা আৰু হিতাধিকাৰীৰ বাছনি সন্দৰ্ভত নীতি জানিবলৈ বিচাৰে। যিখন সমিতিয়ে হিতাধিকাৰীক নিৰ্বাচন কৰে তাৰ কোনো বিশেষজ্ঞ ৰখাৰ পৰিৱৰ্তে এজন সমাজকৰ্মীক অন্তৰ্ভুক্ত কৰা হয়। সমাজকৰ্মীজন স্বাভাৱিকতে শাসকীয় দলৰ লোক হয় আৰু তেওঁলোকে ৰাজনৈতিক উদ্দেশ্যৰে তালিকা প্ৰস্তুত কৰে। নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাতো ৭০ শতাংশ পৰ্যন্ত উত্তীৰ্ণৰ হাৰ থকা প্ৰাৰ্থীক বঞ্চিত কৰাৰ অভিযোগ উত্থাপনৰ পিছতে একাংশ প্ৰাৰ্থী আদালতৰ দ্বাৰস্থ হয়। উল্লখ্যে যে গাৰ্জেইন মিনিষ্টাৰ অৰ্থাৎ অভিভাৱক মন্ত্ৰীজনে নিজৰ দলীয় প্ৰাৰ্থীক এই সুবিধা প্ৰদান কৰাৰ বহু অভিযোগ উত্থাপন হৈ আহিছে আৰু গাৰ্জেইন মিনিষ্টাৰৰ বৈধতা সন্দৰ্ভতে এতিয়া একাংশ উচ্চ শিক্ষিত নিবনুৱাই প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে, গাৰ্জেইন মিনিষ্টাৰ নামৰ কোনো সাংবিধানিক পদমৰ্যাদা থকা খিতাপ নাই আৰু এয়া অসমৰ মুখ্যমন্ত্ৰীৰ এক ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ অংশ। মহাৰাষ্ট্ৰত এটা সময়ত দুৰ্ভিক্ষ হোৱা এলেকাত ক্ষিপ্ৰ গতিৰে কাম কৰিবলৈ গাৰ্জেইন মিনিষ্টাৰৰ এটা পদ সৃষ্টি কৰা হৈছিল। অসমত এতিয়া সেই প্ৰসংগকে টানি আনি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলাসমূহত গাৰ্জেইন মিনিষ্টাৰৰ দ্বাৰা সকলো বিভাগক নিজৰ নিয়ন্ত্ৰণলৈ আনিছে। মঙলবাৰে ধলাইৰ এক নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নিজকে গাৰ্জেইন মিনিষ্টাৰৰ পৰিচয় দি বিজেপিক ভোট নিদিলে ফাইলত চহী নকৰে বুলি সাধাৰণ ভোটাৰক ব্লেকমেইলিং কৰিছিল। বিশ্বনাথ জিলাৰো গাৰ্জেইন মন্ত্ৰী হিচাপে পীযুষ হাজৰিকাই বিহালী সমষ্টিত ভোটাৰৰ ওচৰত নিজৰ ক্ষমতা দেখুওৱাৰ অপচেষ্টা অব্যাহত ৰাখিছে। মন্ত্ৰীজনে আনকি বিহালী সমষ্টিৰ পৰা আত্মসহায়ক গোটক সাহায্য দিবলৈ আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছিল। এনে পৰিস্থিতিত স্বাভাৱিকতে ভোটাৰ ৰাইজ বিভ্ৰান্ত হ'ব। সেয়েহে গাৰ্জেইন মিনিষ্টাৰৰ বৈধতা সন্দৰ্ভত আজি প্ৰশ্ন উত্থাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই এক বিবৃতিত গাৰ্জেইন মিনিষ্টাৰৰ সাংবিধানিক পদমৰ্যাদা কি পৰ্যায়ৰ সেয়া স্পষ্ট কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। বিবৃতিটোত বৰাই কয় যে ক্ষমতা নিজৰ হাতত কুক্ষিগত কৰিবৰ বাবেই মুখ্যমন্ত্ৰীয়ে এনেধৰণৰ পদ সৃষ্টি কৰি নিজৰ ইচ্ছামতে শাসনভাৰ চলাইছে।

# গুৱাহাটীৰ ৩ স্থানত কাণ্ড

■ প্ৰথম পৃষ্ঠাৰ পৰা...

নিতৌ দুৰ্বৃত্তই টিঘিল ঘিলাই ভয়ংকৰ কাণ্ড সংঘটিত কৰি গৈছে মহানগৰখনত। আজি দুৰ্বৃত্তই তিনিটাকৈ লুটমাৰ আৰু হত্যাৰ প্ৰয়াসৰ দৰে ঘটনা সংঘটিত কৰিছে ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত। ১২ ঘণ্টাৰ ভিতৰত এগৰাকী মহিলাৰ ডিঙিৰ চেইন, গুৱাহাটীত চিকিৎসাৰ বাবে অহা এটা পৰিয়ালৰ বেগ কাঢ়ি নিয়াৰ লগতে এজন যুৱকক ডেগাৰেৰে আক্ৰমণ কৰি হত্যাৰ প্ৰয়াস কৰা হয়। আজি আবেলি গুৱাহাটীৰ উলুবাৰীত ৰাজপথ দুৰ্বৃত্তই সংঘটিত কৰিছে বৰ্বৰতা। উলুবাৰীৰ সদাব্যস্ত শিৰা হোটেলৰ সমীপত এজন যুৱকক দেগাৰেৰে আক্ৰমণ কৰি হত্যাৰ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন হৈছে। এটা উপ-পথত যুৱকজনক দেগাৰেৰে আক্ৰমণ কৰাত প্ৰাণৰ মমতাত দৌৰা দৌৰি মুখ্য পথলৈ ওলাই আহি সহায় ভিক্ষা কৰে। তেজেৰে লুটুৰি-পুতুৰি যুৱকজনে মোক বচা, মোক বচা বুলি চিঞৰ-বাখৰ কৰাত একাংশ লোকে যুৱকজনক হাস্পতালত ভৰ্তি কৰোৱা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, যুৱকজনে উপ-পথটোৰে গৈ থকা অৱস্থাত দুৰ্বৃত্তই ঘেৰি লৈ দেগাৰেৰে আক্ৰমণ কৰে। ডেগাৰৰ ঘাপ গালত আৰু ভৰিত লগাত অত্যাধিক ৰক্ত সঞ্চালিত হোৱা যুৱকজনক কেইবাজনো লোকৰ সহায়ত পল্টন বজাৰ আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে। যুৱকজনক আক্ৰমণৰ কাৰণ কি সেই কথা জানিব পৰা হোৱা নাই। ইপিনে আজি দিনৰ ভাগত মহানগৰীৰ বৰবাৰী আন এক দুষ্কাৰ্য্য সংঘটিত কৰিছে দুৰ্বৃত্তই। পুৱাই ভিআইপি ৰোডেৰে নিজ সন্তানক মহিলাই স্কুটীত তুলি থবলৈ অহাৰ সময়তে দুৰ্বৃত্তই কাঢ়ি নিয়ে ডিঙিৰ চেইন। অইন দিনাৰ দৰে স্কুটীত পুত্ৰ সন্তানক লৈ বৰবাৰী চ'কলৈ আহিছিল মহিলা। সন্তানক স্কুল ভানত তুলি দি ভিআইপি ৰোডেৰে ঘৰলৈ গৈ থকা অৱস্থাতে কলিতা এণ্টাৰপ্ৰাইজৰ সন্মুখত দুৰ্বৃত্তই আগভেটা দিয়ে। বিপৰীত দিশৰ পৰা এখন বাইকত অহা দুৰ্বৃত্তই স্কুটীখন ৰখাই এজন দুৰ্বৃত্তই নামি আহি মহিলাৰ ডিঙিত দা লগাই ডিঙিৰ পৰা চেইনদাল লৈ যায়। দুৰ্বৃত্তই চেউনদাল লৈ দৌৰি বাইকত উঠি পলায়ন কৰাত মহিলাগৰাকীয়ে চিঞৰ-বাখৰ কৰি পিছে পিছে খেদি যায় যদিও দুৰ্বৃত্তই মুহূৰ্ততে অন্তৰ্ধান হয়। আনহাতে আন এক ঘটনা সংঘটিত হৈছে গণেশগুৰিৰ হনুমান মন্দিৰত। হনুমান মন্দিৰত ৰখাই থোৱা বাহনৰ গ্লাছ ভাঙি দুৰ্বৃত্তই টকা ভৰ্তি বেগ লৈ উধাও হয়। চুজাতা দাস নামৰ মহিলাৰ পৰিয়ালে সন্তানৰ চিকিৎসাৰ বাবে গাড়ী লৈ গুৱাহাটীলৈ আহিছিল যদিও দুৰ্বৃত্তই সেই টকা গাড়ীৰ গ্লাছ ভাঙি বেগসহ লৈ উধাও হয়। চিকিৎসাৰ বাবে অহা পৰিয়ালো এতিয়া গুৱাহাটীত সুৰক্ষিত নহয়। প্ৰায় ১২ ঘণ্টাৰ ভিতৰত স্মাৰ্ট গুৱাহাটী আৰক্ষীৰ সন্মুখতে তিনিটাকৈ ঘটনা সংঘটিত হৈছে। কিন্তু গুৱাহাটী আৰক্ষীৰ তৎপৰতা সূন্য দেখা গৈছে। দুৰ্বৃত্তই গুৱাহাটী আৰক্ষীক গুৰুত্বই নিদিয়া হৈছে। মহিলাক বাৰে বাৰে আক্ৰমণ কৰি ডিঙিৰ চেইন কাঢ়ি নিয়াৰ ঘটনাৰ মাজতে চাঞ্চল্যৰ মাজতে গুৱাহাটীত ১২ ঘণ্টাৰ ভিতৰত দুৰ্বৃত্তই তিনিটাকৈ দুষ্কাৰ্য সংঘটিত কৰাত চাঞ্চল্যৰ সৃষ্টি হৈছে। মহানগৰীত প্ৰায়ে এনে দুষ্কাৰ্য সংঘটিত হৈ অহাত গুৱাহাটীত নাগৰিক সুৰক্ষিত নহয় বুলি অভিযোগ উত্থাপন হৈছে। গুৱাহাটী আৰক্ষীক এতিয়া প্ৰত্যাহ্বান জনাইছে টিঘিলঘিলাই থকা দুৰ্বৃত্তই। এনে ঘটনাই মহানগৰবাসীক উদ্বিগ্ন কৰি তুলিছে।

# আলফাৰ নামত ধন দাবী, ধৃত দুজন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

জালত পৰিছে দুজন লোক। লোক দুজন হৈছে ফিল'বাৰীৰ ১ নং পিঠাগুটি গাঁৱৰ অপূৰ্ব মৰাণ (৩০) আৰু অভিজিত মৰাণ (৩৩)। লোক দুজনৰ পৰা আৰক্ষীয়ে বহু আপত্তিজনক সামগ্ৰীও জব্দ কৰিবলৈ সক্ষম হ'য়। তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসৰ নেতৃত্বত সোমবাৰৰ নিশা স্থানীয় ফিল'বাৰী আৰক্ষী আৰু সেনাৰ যৌথ অভিযান কালত লোক দুজনক আটক কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি, ধৃত লোক দুজনৰ বিৰুদ্ধে আৰক্ষীয়ে জিলাখনৰ ডুমডুমা আৰু ফিল'বাৰীৰ কেইবাজনো লোকক আলফা স্বাধীনৰ নামত ধন দাবী কৰি অহাৰ অভিযোগ লাভ কৰি আহিছিল। আৰক্ষীয়ে এই সন্দৰ্ভত তদন্ত আৰম্ভ কৰি অভিযান চলাইছিল যুৱক দুজনৰ অভিযানত। ইয়াৰে অপূৰ্ব মৰাণ আলফা স্বাধীনৰ এগৰাকী আত্মসমৰ্পণকাৰী সদস্য বুলিও আৰক্ষীৰ সূত্ৰত প্ৰকাশ। আৰক্ষীৰ জেৰাত যুৱক দুজনে কেইবাজনো ব্যৱসায়ীৰ লগতে হিন্দীভাষী লোকক আলফাৰ নামত ধন দাবী কৰি অহাৰ স্বীকাৰোক্তি দিয়ে। যুৱক দুজনৰ বিৰুদ্ধে ফিল'বাৰী আৰক্ষী থানাত ৩৪/২০২৪ ইউ/এছ ৬১(২)/ ৩১৯(২)/ ৩০৮(৪) নম্বৰত গোচৰ ৰুজু কৰি জেৰা চলাই আছে তিনিচুকীয়া আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ই-ৰিক্সাৰ চালকে পিন্ধিব খাকী ড্ৰেছ

চলাচল নিষিদ্ধ কৰাত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। একাংশ লোকে ঋণত ই-ৰিক্সা লৈ সেইখনকে চলাই ঘৰ চলাই আছিল যদিও হঠাতে এনেদৰে গৰিষ্ঠসংখ্যক পথত চলাচল বন্ধ কৰি দিয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিধায়ক আৱাসৰ সমীপ তথা ৰাজধানী মছজিদৰ ওচৰৰ পৰা ভেটাপাৰাৰ মাজত চলোৱা এজন ই-ৰিক্সা চালকে কয় যে এয়া আমাৰ প্ৰতি অন্যায়। আমাক সময় দিব লাগিছিল। আমি উপাৰ্জনৰ অন্য ব্যৱস্থা কৰিব পাৰিলোহেঁতেন। ঘপহকৈ বন্ধ কৰি দিছে আৰু যিকেইটা পথত চলাচল কৰিবলৈ দিছে তাৰ দ্বাৰা আমাৰ পৰিয়ালৰ ভাতসাজৰ খৰছো নোলাব বুলি কয় চালকজনে। চালকজনে আক্ষেপ কৰি আৰু কয় যে সৰু মানুহ জড়িত হৈ থাকিলে চৰকাৰে সহজতেই সিদ্ধান্ত ল'ব পাৰে। আন একাংশ লোকে ই-ৰিক্সাৰ উৎপাত বাঢ়ি গৈছে বুলি কৈ এয়া উচিত পদক্ষেপ বুলি কৈছে। পথত যান-জঁট বৃদ্ধিৰ কাৰক ই-ৰিক্সা আৰু অনৈতিক কাম-কাজত একাংশ ই-ৰিক্সা জড়িত হৈ পৰাত এয়া গুৱাহাটী প্ৰশাসনৰ উচিত পদক্ষেপ বুলি দাবী কৰিছে একাংশ লোকে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি এতিয়াৰ পৰা গুৱাহাটীৰ মুখ্য পথসমূহত ই-ৰিক্সা চলাব নোৱাৰিব। মুখ্য পথৰ সৈতে সংলগ্ন চ'কৰ পৰা দুই-এটা ভিতৰুৱা পথততহে ই-ৰিক্সা চলাব পাৰিব। গুৱাহাটী মহানগৰ প্ৰশাসনে কঠোৰ নিৰ্দেশ দি এখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাত যি কেইটা পথ নিৰ্দিষ্ট কৰি দিয়া হৈছে সেই কেইটা পথততহে ই-ৰিক্সা চলাব পাৰিব চালকসকলে। ৰিক্সা চলোৱাৰ সময়ত পিন্ধিক লাগিব খাকী পোছাক। চালকৰ লগতে লাইচেন্স, চালকৰ পুলিচ ভেৰিফিকেচন জৰুৰী কৰা হৈছে। অন্যথাই জৰিমনা বিহা হ'ব। গুৱাহাটী ৰিফাইনেৰীৰ ছেক্টৰ-১, ছেক্টৰ-২, নিজৰাপাৰলৈ ই-ৰিক্সা চলাব পাৰিব। পানীখাইতী ৰে'লৱে গেটৰ পৰা ডিগাৰুলৈ ই-ৰিক্সা চলাব পাৰিব। ডিগাৰুৰ পৰা সোণাপুৰলৈ ই-ৰিক্সা চলাব পাৰিব। সোণাপুৰ বজাৰৰ পৰা মৰগ দুলা, উৰাল, কমলাজাৰী, ১৪ মাইললৈ ই-ৰিক্সা চলাব পাৰিব, সোণাইগাঁৱৰ সৰুটাৰিলৈ ই-ৰিক্সা চলাব পাৰিব। জুৰিপাৰৰ পৰা সাতগাঁৱলৈ ই-ৰিক্সা চলাব পাৰিব। পাঞ্জাবাৰী বাছস্থানৰ পৰা গুৱাহাটী পাব্লিক স্কুল, বতাহঘুলিলৈ ই-ৰিক্সা চলাব পাৰিব। বাঘৰবৰী তিনিআলিৰ পৰা সাতগাঁও বুধবৰীয়া বজাৰলৈ ই-ৰিক্সা চলাব পাৰিব। ক্ষেত্ৰী বজাৰৰ পৰা বেঙেনাবাৰী, শালনি, মালৈবাৰী, তেতেলীয়ালৈ ই-ৰিক্সা চলাব পাৰিব। কইনাধৰাৰ পৰা পাটৰকুছিলৈ। বশিষ্ঠ মন্দিৰৰ পৰা গণেশনগৰ, বৰপথাৰলৈ। গড়চুকৰ পৰা পামহি, দীপৰ বিল, পাটগাঁও বিএছএফ কেম্প, ডিপিএছলৈ। সাতমাইলৰ পৰা অসম অভিযান্ত্ৰিক মহাবিদ্যালয় হৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ। সুন্দৰবড়ীৰ পৰা সাতমাইল, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ। পাটগাঁও বিএছএফ কেম্পৰ পৰা ৰাণী, একোলেণ্ডলৈ। এয়াৰপৰ্টৰ পৰা গড়ললৈ। ধাৰাপুৰৰ পৰা গড়ললৈ। এয়াৰপৰ্টৰ পৰা কাঁহিকুছিলৈ। মূলপথৰ পৰা উপ-পথৰ শেষ পইণ্টলৈ। দক্ষিণ গাঁৱৰ পৰা সোণাইঘুলিলৈ। হেঙেৰাবাৰী পাব্লিক হেল্থ চ'কৰ পৰা গাহৰিকটা চ'ক, জাপৰিগোগলৈ ই-ৰিক্সা চলাব পাৰিব। লালমাটিৰ পৰা বৈকুণ্ঠপুৰলৈ। সিজুবাৰী মাজাৰৰ পৰা দক্ষিণগাঁৱলৈ। পাথৰকুঁৱেৰীৰ পৰা সাতগাঁও, বাঘৰবৰী তিনিআলিলৈ। সাউকুছিৰ পৰা এনইএফ আইন মহাবিদ্যালয়লৈ হৈ ঘোৰামাৰালৈ। লালমাটিৰ পৰা এজি পইণ্টলৈ। এজি পইণ্টৰ পৰা জয়ানগৰৰ ৰিলায়েন্স মাৰ্কেটলৈ। শেৱালি পথৰ পৰা মেঘমল্লাৰ কমপ্লেক্স হৈ নটবামালৈ। দাতালপাৰাৰ পৰা ছাউথ পইণ্ট স্কুললৈ। আদাবাৰী কাটিয়া দলঙৰ পৰা জয়মতী নগৰ হৈ পাণ্ডুপৰ্টলৈ ই-ৰিক্সা চলাব পাৰিব। গণেশ টাৰ্নিঙৰ পৰা জনকপুৰলৈ। খেৰাইকুছিৰ পৰা চন্দন নগৰ হৈ বেহাৰবাৰী, হকী ষ্টেডিয়াম হৈ সাউকুছিলৈ থকা পথত ই-ৰিক্সা চলাব পাৰিব। মুঠ ৩১টা উপ-পথত ই-ৰিক্সা চলাব পাৰিব। এই সিদ্ধান্তত ক্ষোভিত মালিক-চালকে আন্দোলন কৰিবলৈ সাজু হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত হিংসা, অপহৃত ৬ মহিলা

হত্যাকাণ্ড, অপহৰণ কাণ্ড সংঘটিত কৰাৰ অভিযোগত আজি সন্ধিয়া ৬ বজাৰ পৰা কাইলৈ অৰ্থাৎ ১৩ নৱেম্বৰৰ সন্ধিয়া ৬ বজালৈ মণিপুৰ বন্ধ ঘোষণা কৰিছে ১৩ নাগৰিক সংগঠনে। মণিপুৰৰ চিভিল চ'ছাইটিয়ে চৰকাৰৰ বিফলতাৰ বিৰুদ্ধে ২৪ ঘণ্টীয়া মণিপুৰ ৰাজ্য বন্ধৰ ঘোষণা কৰিছে। বিভিন্ন জাতীয়-জনগোষ্ঠীয় সংগঠনৰ মঞ্চ চিভিল চ'ছাইটিয়ে শেহতীয়াকৈ সংঘটিত হোৱা এনকাউণ্টাৰত ১১গৰাকী সন্দেহজনক উগ্ৰপন্থী নিহত আৰু ৬গৰাকী লোকক অপহৰণৰ পাছতে সমগ্ৰ মণিপুৰ ৰাজ্য বন্ধ ঘোষণা কৰিছে। সন্দেহযুক্ত উগ্ৰপন্থীয়ে ৰাজ্যখনৰ জিৰিবাম জিলাৰ বড়োবেক্ৰা আৰক্ষী থানাত আক্ৰমণ কৰাৰ কিছুসময় পাছতে তিনিগৰাকী মহিলা আৰু তিনিটা শিশু নিৰুদ্দেশ হৈ আছে। উগ্ৰপন্থীৰ দলটোৱে আৰক্ষী থানাত আক্ৰমণৰ পাছতে তিনিগৰাকী মহিলা আৰু তিনিটা শিশুক বন্দী কৰি লৈ যাব পাৰে বুলি সন্দেহ কৰিছে। বিভিন্ন অঞ্চলত সশস্ত্ৰ কুকি উগ্ৰপন্থীয়ে নিৰ্মম আক্ৰমণ, হত্যাকাণ্ড, অপহৰণ কাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰি তীব্ৰ নিন্দা প্ৰকাশ কৰাৰ লগতে ২৪ ঘণ্টীয়া বন্ধ ঘোষণা কৰি চৰকাৰক তীব্ৰ সমালোচনা কৰিছে সামাজিক সংগঠনসমূহে। মণিপুৰৰ প্ৰান্তীয় অঞ্চলত পুনৰ হিংসাৰ ঘটনা সংঘটিত হোৱাত ১২ নৱেম্বৰৰ সন্ধিয়া ৬ বজাৰ পৰা ১৩ নৱেম্বৰৰ সন্ধিয়া ৬ বজালৈ মণিপুৰ বন্ধ ৰাখিবলৈ সকলো পক্ষক আহ্বান জনাই সংগঠনসমূহে। ইণ্টাৰনেচনেল পীচ এণ্ড ছ'চিয়েল এডাভচমেণ্ট, পিপলছ একচন ফৰ নেচনেল ডেমক্ৰেটিক মুভমেণ্ট, আৰু কাংলেইপাক লামজিং অপুনবা মীৰা পাইবি লুপকে ধৰি একডৰ্জন সংগঠনে বন্ধ ঘোষণা কৰিছে। এখন সংবাদমেলত সংগঠনসমূহে কয় যে শেহতীয়া হিংসাৰ মোকাবিলা কৰাত বিফল হৈছে ৰাজ্য চৰকাৰ। ক্ষতিগ্ৰস্ত সম্প্ৰদায়সমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা ল'বলৈ আহ্বান জনায়। সংগঠনবোৰে জিৰিবাম জিলাত শিশু-মহিলাৰ অপহৰণত উদ্বেগ প্ৰকাশ কৰি চৰকাৰক হস্তক্ষেপ কৰিবলৈ আৰু সুৰক্ষিত অৱস্থাত মুক্তিৰ দাবী জনায়। জিৰিবামৰ মেইটেই সংস্থা জিৰি অপুনবা লুপে দাবী কৰা মতে, সন্ধানহীন হোৱা ছয়জন ব্যক্তি একেটা পৰিয়ালৰ। যুমৰেম্বাম ৰাণী দেৱী (৬০), তেলেম থইবি দেৱী (৩১) তেওঁৰ জীয়ৰী তেলেম থাজামানবি দেৱী (৮), লাইশ্ৰাম হেইথোইবি দেৱী (২৫) আৰু তেওঁৰ দুই সন্তান লাইশ্ৰাম চিংখেইঙ্গানবা সিং (আঢ়ৈ বছৰীয়া) আৰু লাইশ্ৰাম লামংবা সিং (১০ মাহ)। মণিপুৰ আৰক্ষীৰ আইজিপি জয়ন্ত সিঙে কয় যে সন্ধানহীন ছয়জন ব্যক্তিৰ ফটো ছ'চিয়েল মিডিয়াত ভাইৰেল হৈছে। কিন্তু সেই কথা আমি এতিয়াই নিশ্চিত কৰিব পৰা নাই। উদ্ধাৰ অভিযান চলি আছে আৰু মহিলা-শিশুক উদ্ধাৰ কৰিব নোৱাৰা পৰ্যন্ত অভিযান অব্যাহত থাকিব। আজিৰ সংবাদমেলত নাগৰিক সমাজে কয় যে আক্ৰমণৰ ফলত নিৰীহ লোকৰ জীৱন বিপদাপন্ন হৈছে। কিন্তু ইচ্ছা কৰিও আমি দুৰ্ভগীয়া লোকৰ কাষত থিয় দিব পৰা নাই। ৰাজ্য চৰকাৰ আৰু আৰক্ষীয়ে সংকটৰ সময়ত সঁহাৰি দিয়াত ব্যৰ্থ হৈছে। মানুহৰ সুৰক্ষাৰ ভয়ত দিন পাৰ কৰিছে। চৰকাৰক শান্তি আৰু শৃংখলা পুনৰুদ্ধাৰৰ বাবে দ্ৰুত আৰু নিৰ্ণায়ক পদক্ষেপ লওক। এই বন্ধ কেৱল শেহতীয়া উগ্ৰপন্থীৰ কাণ্ডৰ বিৰোধ কৰিবলৈ নহয়।নাগৰিকসকলৰ জীৱন সুৰক্ষিত কৰিবলৈ আৰু ন্যায় নিশ্চিত কৰিবলৈ চৰকাৰী পদক্ষেপক অধিক শক্তিশালী কৰাৰ আহ্বানত বন্ধ দিয়া হৈছে। পৰিস্থিতি উন্নত নোহোৱালৈকে আন্দোল নকৰি যোৱাৰ প্ৰতিশ্ৰুতি দি চৰকাৰক সতৰ্ক কৰি দিয়ে। অধিক হিংসা আৰু অপহৰণ প্ৰতিহত কৰাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ নকৰালৈকে প্ৰতিবাদ অব্যাহত থাকিব বুলি কয় নাগৰিক সমাজে। ইফালে সোমবাৰে সাম্প্ৰদায়িক হিংসাত জৰ্জৰিত মণিপুৰত জিৰিবাম জিলাৰ চিআৰপিএফৰ এটা শিবিৰত আক্ৰমণ কৰিছিল কুকি উগ্ৰপন্থীয়ে। দুয়োপক্ষৰ মাজত হোৱা যুঁজত ১১ কুকি উগ্ৰপন্থী নিহত হয় আৰু চিআৰপিএফৰ এজন জোৱান আহত হৈছে। সোমবাৰে প্ৰথমে জিৰিবাম জিলাৰ বড়োবেক্ৰা অঞ্চলৰ উগ্ৰপন্থীয়ে বহু আৱাস গৃহত অগ্নিসংযোগ কৰি বড়োবেক্ৰা আৰক্ষী থানাক লক্ষ্য কৰি লয়। উগ্ৰপন্থীয়ে চিআৰপিএফ শিবিৰত আক্ৰমণৰ চেষ্টা চলোৱাত দুয়োপক্ষক সংঘৰ্ষত ১১ উগ্ৰপন্থী নিহত হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিপাঝাৰত আকৌ দুৰ্ঘটনা, নিহত যুৱক

মৃত্যুপথলৈ পৰ্যবসিত হৈ পৰিছে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ। অভিশপ্ত পথটোত সংঘটিত দুৰ্ঘটনাই আকৌ এগৰাকী যুৱকৰ প্ৰাণ কাঢ়ি নিয়ে। ঘটনাৰ বিৱৰণী অনুসৰি ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত মাৰৈ-বিজুলিবাৰীত সোমবাৰে নিশা এখন দুচকীয়া বাহনে মহতিয়াই লৈ যায় ইয়াৰ বদিয়াসিঁছাস্থিত ইথানল কোম্পানীত ৱেল্ডাৰ হিচাপে কৰ্মৰত এজন যুৱকক। দুৰ্ঘটনাত নিহত যুৱকজনক সুভাষ দাস (২৩) বুলি চিনাক্ত কৰ হৈছে। উল্লেখ্য যে, সুভাষে কামৰ পৰা ঘৰলৈ উভতি অহাৰ পথত মঙলদৈৰ ফালৰ পৰা অহা এএছ-১২-ডব্লিউ-৪০২৪ নম্বৰৰ ৰয়েল এনফিল্ড বাহনখনে মহতিয়াই লৈ যায়। ইপিনে যুৱকজনক খুন্দিয়াই থৈ দুচকীয়া বাহনখন পথৰ দাঁতিতে এৰি পলায়ন কৰে বাহনৰ গৰাকী। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত সুভাষক সংকটজনক অৱস্থাত ৰাইজৰ সহযোগত প্ৰেৰণ কৰা হয় চিকিৎসালয়লৈ। কিন্তু চিকিৎসালয় পোৱাৰ আগতেই সুভাষে কৰুণ মৃত্যুক আকোৱালি লয়। ইপিনে দুৰ্ঘটনাটোৰ পিছতে ক্ষোভিত ৰাইজে অৱৰোধ কৰি ৰাখে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ। ছিপাঝাৰ আৰক্ষীয়ে আহি পথ অৱৰোধ উঠাই ল'বলৈ ৰাইজক অনুৰোধ কৰে যদিও পৰিস্থিতি অধিক উত্তেজনাময় হৈ পৰে। অৱশেষত আৰক্ষীয়ে অৰ্ধসামৰিক বাহিনীৰ সহায়ত ছত্ৰভংগ দিবলৈ বাধ্য কৰোৱায় ক্ষোভিত হৈ পৰা ৰাইজক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিক আক্ৰমণকাৰী ধৃত

জিলা প্ৰশাসনে নিৰাপত্তা কটকটীয়া কৰি তোলা পৰিলক্ষিত হৈছে। ভোটগ্ৰহণৰ সময়ত যাতে হিংসাত্মক ঘটনাই ভয়ংকৰ ৰূপ ধাৰণ কৰিব নোৱাৰে তাৰ প্ৰতি জিলা প্ৰশাসনে প্ৰতিটো অঞ্চলত নিৰাপত্তাৰক্ষী দিয়াৰ লগতে প্ৰতিটো ভোটকেন্দ্ৰত অধিক নিৰাপত্তা কটকটীয়া কৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ আহি নিৰ্বাচনী হিংসা নকৰি ভোটৰ জৰিয়তে প্ৰত্যুত্তৰ দিবলৈ ভোটাৰ ৰাইজক আহ্বান জনাইছিল যদিও চামগুৰিত নিৰ্বাচনী হিংসা অব্যাহত আছিল।চামগুৰিৰ উপ-নিৰ্বাচনত বিজেপি আৰু কংগ্ৰেছ দলৰ সমৰ্থকৰ মাজত প্ৰতিদিনাই সংঘটিত মাৰপিটৰ ঘটনাই জনসাধাৰণৰ মনত গভীৰ উৎকণ্ঠা, শংকা বৃদ্ধি কৰিছিল। কংগ্ৰেছ আৰু বিজেপিৰ মাৰপিটৰ ঘটনাত আনকি কেইবাজনো সাংবাদিকেও আক্ৰমণৰ বলি হ'বলগীয়া হৈছিল। বহুকেইজন বিজেপি আৰু কংগ্ৰেছ দলৰ কৰ্মী ঘূণীয়া হোৱাৰ লগতে এজন বিজেপি কাৰ্যকৰ্তাই সংঘৰ্ষৰ বলি হৈ মৃত্যুক সাৱটিব লগীয়া হৈছে।চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত সমষ্টিটোৰ শ'লমাৰী, বগামুখ, মুৰিপুথিখাইটি আদিকে ধৰি বিভিন্ন অঞ্চলত সংঘটিত হোৱা নিৰ্বাচনী হিংসাত বিজেপি আৰু কংগ্ৰেছৰ মাজত সংঘটিত সংঘৰ্ষত দুয়ো দলৰ বহুকেইজন লোক গুৰুতৰভাৱে আহত চিকিৎসাধীন হ'বলগা হৈছে। ইয়াৰ উপৰিও বিজেপি কংগ্ৰেছ দলৰ বহুকেইখন গাড়ী দুৰ্বৃত্তৰ দলে ভঙাৰ অভিযোগ উঠিছে। সমষ্টিটোৰ অন্তৰ্গত মুৰিপুঠিখাইটি অঞ্চলত ব্ৰহ্মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ গাড়ীলৈ গুলিচালনা কৰা ঘটনাৰ লগতে এখন বিজেপি গাড়ী কংগ্ৰেছ কৰ্মী-সমৰ্থকে ভঙাৰ লগতে উক্ত ঘটনাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা তিনিজন সাংবাদিকক কংগ্ৰেছ কৰ্মীয়ে প্ৰহাৰ কৰা ঘটনাই সচেতন মহলক স্তম্ভিত কৰি তুলিছে। এই ক্ষেত্ৰত সাংবাদিকসকলে আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। যোৱা নিশা ৰূপহীহাট আৰক্ষী থানাৰ আৰক্ষীয়ে সাংবাদিক আক্ৰমণৰ লগত জড়িত থকা অভিযোগত তথা চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত চিৰাজুল ইছলামক আটক কৰে। লগতে চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে সাংবাদিক আক্ৰমণৰ লগত জড়িত থকাৰ অভিযোগত যুৱ কংগ্ৰেছৰ নেতা আজাহাৰ উদ্দিন নামৰ যুৱকজনক আটক কৰে।লগতে বিভিন্ন অপৰাধৰ লগত জড়িত থকাৰ অভিযোগত আৰফৎ আলী নামৰ লোকজনক আৰক্ষীয়ে আটক কৰে।চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা আটক কৰা লোক দুজনক বৰ্তমান নগাঁও আৰক্ষীৰ জিম্মাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# কোকৰাঝাৰত দুৰ্ঘটনা, ৫ জন সাংবাদিক আহত

**ই-সংবাদ, কোকৰাঝাৰ, ১২ নৱেম্বৰঃ** ভাৰত-ভূটান সীমান্ত ঝাৰবাৰী হাইস্কুলৰ পৰা বাতৰি সংগ্ৰহ কৰি কোকৰাঝাৰলৈ উভতি অহাৰ পথত আজি বিছমুৰী সোণাপুৰৰ ওচৰত কোকৰাঝাৰৰ সাংবাদিকৰ এটা দল দুৰ্ঘটনাত পতিত হয়। উল্লেখ্য যে, আজি কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ বায়'টেক হাবে ভাৰত-ভূটান সীমান্তৰ ঝাৰবাৰী হাইস্কুলত এক বিজ্ঞানকেন্দ্ৰিক অনুষ্ঠান পাতিছিল। উক্ত অনুষ্ঠানৰ বাতৰি সংগ্ৰহ কৰি কোকৰাঝাৰলৈ উভতি অহাৰ সময়তে বিশমুৰী সোণাপুৰত সাংবাদিকৰ দলটো গৈ থকা এএছ ১৬বি ৪৬১৯ নম্বৰৰ গাড়ীখন দুৰ্ঘটনাগ্ৰস্থ হয়। গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱাই দলঙৰ ৰেলিঙত খুন্দা মাৰে যাৰ ফলত গাড়ীৰ সন্মুখৰ ভাগ চুচুৰ্মে হৈ পৰে। পৰিণতিত সন্মুখৰ আসনত বহি থকা দৈনিক অসমৰ কোকৰাঝাৰস্থিত সাংবাদিক অশোক কুমাৰ বৰ্মন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ ফলত অশোক কুমাৰ বৰ্মনৰ হাত, দাঁত ভঙাৰ উপৰিও মূৰ আৰু বুকুত গুৰুতৰভাৱে আঘাত পাইছে। তদুপৰি দুৰ্ঘটনাৰ ফলত সুৰথ বসুমতাৰী (নিউজ ১৮), প্ৰণৱ মুছাহাৰী (কেমেৰামেন, প্ৰতিদিন টাইম), গেওলাংচাৰ নাৰ্জাৰী (নৰ্থ ইষ্ট ভিচন) আৰু ডেভিড বসুমতাৰী (ৰাইজিং বড়োলেণ্ড) সামান্য পৰিমাণে আহত হয়। গুৰুতৰভাৱে আহত অশোক কুমাৰ বৰ্মনক কোকৰাঝাৰস্থিত ব্যক্তিগতখণ্ডৰ চিকিৎসালয় এমআৰএমত ভৰ্তি কৰোৱা হৈছে। ইপিনে ঘটনাৰ খবৰ পোৱা মাত্ৰকে কোকৰাঝাৰৰ সমূহ সাংবাদিকে এমআৰএম নাৰ্চিংহোমত ভিৰ কৰে। কোকৰাঝাৰ প্ৰেছ ক্লাবৰ সভাপতি কিশোৰ সৰকাৰে এমআৰএম নাৰ্চিংহোমত উপস্থিত হৈ খা-খবৰ লোৱাৰ লগতে আহত সাংবাদিককেইগৰাকীৰ দ্ৰুত আৰোগ্য কামনা কৰে। বাতৰি লিখা পৰলৈ অশোক কুমাৰ বৰ্মনৰ অৱস্থা সংকটজনক হৈ আছে।

# গোলকগঞ্জত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ ৪ ধৃত

**ই-সংবাদ, গোলকগঞ্জ, ১২ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ আৰক্ষীয়ে যোৱা নিশা দুই স্থানত অভিযান চলাই ড্ৰাগ সহ দুজনকৈ সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, সন্ধিয়া গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে হালাকুৰা বজাৰৰ সমীপৰ জিনকাটা দ্বিতীয় খণ্ড গাঁৱত অতৰ্কিতে অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগ সহ দুজনকৈ সৰবৰাহকাৰীক আটক কৰে। আটকাধীন জিনকাটা দ্বিতীয় খণ্ড গাঁৱৰ বাবলু ৰায়ৰ পুত্ৰ বিধান ৰায় (২৮) আৰু পোকালাগী পঞ্চম খণ্ড গাঁৱৰ হিল্লাল মণ্ডলৰ পুত্ৰ হুছেইন আলী (১৮)। সিহঁতৰ পৰা আৰক্ষীয়ে ব্ৰাউন ছুগাৰ ভৰ্তি এটা চাবোনৰ বাকচ আৰু ২৪ টা ড্ৰাগ ভৰ্তি কন্টেনাৰত প্ৰায় পচাঁশি গ্ৰাম ওজনৰ নিষিদ্ধ ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰে। আৰক্ষীয়ে দুটা ম'বাইল আৰু নগদ প্ৰায় বাৰশ টকা জব্দ কৰে। আনহাতে নিশা আৰক্ষীৰ দলটোৱে টাইবান্ধত অভিযান চলাই আন দুজন সৰবৰাহকাৰীকো আটক কৰিবলৈ সক্ষম হয়। সৰবৰাহকাৰী দুজন ক্ৰমে উত্তৰ টোকৰেৰছৰা প্ৰথম খণ্ড গাঁৱৰ পাছান আলীৰ পুত্ৰ ৰুবেল আলী (২২) আৰু গোলকগঞ্জ তিনি নম্বৰ ৱাৰ্ডৰ গোলজাৰ আলীৰ পুত্ৰ নুৰ ইছলাম ( ৩০)। দুয়োৰে পৰা আৰক্ষীয়ে তিনিটা ব্ৰাউন ছুগাৰ ভৰ্তি কন্টেনাৰ উদ্ধাৰ কৰে। আজি গোলকগঞ্জ আৰক্ষীয়ে চাৰিওকে ধুবুৰী আদালতত হাজিৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে।

# গোলাঘাট আধাৰসত্ৰৰ ৪৫ সংখ্যক ৰাস মহোৎসৱৰ প্ৰস্তুতি তুংগত

**ই-সংবাদ, গোলাঘাট, ১২ নৱেম্বৰঃ** শাৰদীয় উৎসৱৰ অন্যতম ৰাস মহোৎসৱলৈ মাজত মাত্ৰ তিনিটা দিন বাকী। ৰাস মহোৎসৱ উপলক্ষে ৰাজ্যজুৰি প্ৰস্তুতি তুংগত উঠিছে। বিগত বৰ্ষসমূহৰ দৰে এইবেলিও গোলাঘাটৰ আধাৰসত্ৰতো আধাৰসত্ৰ ৰাস উদযাপন সমিতিৰ উদ্যোগত ভগৱান শ্ৰীকৃষ্ণৰ ৰাস লীলা উদযাপনৰ বাবে পূৰ্ণগতিত চলি আছে প্ৰস্তুতি। গাঁৱৰ কিশোৰ-কিশোৰী, যুৱক-যুৱতী সকলো ব্যস্ত ৰাসৰ আখৰাত। আধাৰসত্ৰ ৰাস উদযাপন সমিতিৰ উদ্যোগত আধাৰসত্ৰ উন্নয়ন সমিতি আৰু অঞ্চলটোৰ ৰাইজৰ সহযোগত আধাৰসত্ৰ নাট্যমঞ্চত অহা ১৬ আৰু ১৭ নৱেম্বৰত দুদিনীয়াকৈ ঐতিহাসিক আধাৰসত্ৰ ৰাস মহোৎসৱত অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱে এইবাৰ ৪৪ সংখ্যক বৰ্ষ অতিক্ৰম কৰিলে। সমগ্ৰ অসমতে বিপুলভাৱে জনপ্ৰিয় এই ৰাস মহোৎসৱত এইবাৰ ৰেঙনি চেনেলৰ হাস্যমধুৰ ধাৰাবাহিক বেহৰবাৰী আউটপোষ্টৰ কে কে খ্যাত সিদ্ধাৰ্থ শৰ্মা আৰু মোহন খ্যাত দীপজ্যোতি কেওঁটে অভিনয় প্ৰদৰ্শন কৰিব। এই ৰাস মহোৎসৱৰ বাবে অঞ্চলটোৰ ৰাইজক উৎসাহিত হৈ পৰা দেখা গৈছে।

# তিনিচুকীয়াত মূল্যবৃদ্ধিক লৈ আছুৰ প্ৰতিবাদ

**ই-সংবাদ, ডুমডুমা, ১২ নৱেম্বৰঃ** ঔষধকে ধৰি নিত্য ব্যৱহাৰ্য সামগ্ৰী আৰু ইন্ধনজাত সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ৰাইজক বাৰুকৈয়ে জলা-কলা কৰি অহাৰ সময়তে সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পুতলিকা দাহ কৰাৰ সমান্তৰালকৈ আজি বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি তিনিচুকীয়া, মাকুম, পানীতোলা, ডুমডুমাকে ধৰি জিলাখনৰ ১২ খন আঞ্চলিক ছাত্ৰ সন্থাই যোগান মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ পুতলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে মূল্যবৃদ্ধিৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে ৰাজ্য চৰকাৰ। যোগান মন্ত্ৰীগৰাকীয়ে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হোৱা বাবে সৰ্বসাধাৰণ ৰাইজৰ দুখ-দুৰ্গতি বৃদ্ধি পাইছে। মূল্যবৃদ্ধি ৰোধ কৰক, যোগান বিভাগ হায় হায়, বিজেপিৰ কাম নাই, হিমন্ত বিশ্ব শৰ্মা লেই লেই-চেই চেই, ৰঞ্জিত কুমাৰ দাস মুৰ্দাবাদ আদি বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে মূল্যবৃদ্ধি হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰে অচিৰেই যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে আছুৱে।

## গুৱাহাটী লিটাৰেচাৰ ফেষ্টিভেল

# বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াক ধ্ৰুপদী অসমীয়া ভাষা বঁটা

**ই-সংবাদ, ডিব্ৰুগড়, ১২ নৱেম্বৰঃ** ধ্ৰুপদী অসমীয়া ভাষা বঁটা প্ৰথমবাৰৰ বাবে গুৱাহাটী লিটৰেচাৰ ফেষ্টিভেলৰ দ্বাৰা ডঃ নগেন শইকীয়াক আগবঢ়োৱা হয়। সাহিত্য একাডেমি বঁটা, অসম ভেলী সাহিত্য বঁটা, জাতীয় শিক্ষক বঁটা, ৰাষ্ট্ৰীয় সাহিত্য বঁটা, নিৰ্মলা দেৱী স্মাৰক বঁটা আদি লাভ কৰা ড০ শইকীয়া অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল। বঁটা প্ৰদান অনুষ্ঠানটো অনুষ্ঠিত হৈছিল ৮ৰ পৰা ১১ নৱেম্বৰলৈ গুৱাহাটীৰ এন ই এফ মহাবিদ্যালয়ত। স্বাস্থ্যজনিত কাৰণৰ বাবে শইকীয়াই গুৱাহাটীলৈ যাব পৰা নাছিল আৰু সেই বাবে আজি ডিব্ৰুগড়ত তেওঁলোকৰ নিজা বাসগৃহ বৰ্ণমালাত এই বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে গল্পকাৰ গৌৰিকা বৰুৱা, লেখিকা ৰেহেনা বানু, আব্দুল খালেক, এম হাছিম আলী, নাছিমা বানু আৰু জি এল এফ দলৰ সদস্যা ফাৰহানা শবনম। ড০ শইকীয়াক প্ৰদান কৰা বঁটাৰ সৈতে আছে এখন চেলেং চাদৰ, এখন ফুলাম গামোচা, এটা জাপি আৰু দহ হাজাৰ টকাৰ এখন চেক। জি এল এফৰ সভাপতি পূৰবী বৰা আৰু সম্পাদক আবিদ আজাদে শইকীয়াক শুভেচ্ছা জনোৱাৰ লগতে তেওঁৰ সুস্বাস্থ্যৰ কামনা কৰে। এই বঁটা লাভ কৰি ড০ শইকীয়াই জি এল এফৰ সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে।


১৫নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া নলবাৰী ৰাসৰ প্ৰস্তুতি বুজ লোৱাৰ মূৰ্হুতত জয়ন্ত মল্ল বৰুৱা

# মৰিগাঁৱৰ সমাজকৰ্মী বুবু অসমলৈ 'আৰিমত্ত বঁটা-২০২৪'

**ই-সংবাদ, মৰিগাঁও, ১২ নৱেম্বৰঃ** মানৱ শৰীৰৰ অংগদান আৰু ৰক্তদান সন্দৰ্ভত সজাগতাৰ সৃষ্টি কৰি অহা মৰিগাঁও জিলাৰ যুৱ সংবাদ কৰ্মী বুবু অসমক 'আৰিমত্ত বঁটা-২০২৪'ৰ বাবে নিৰ্বাচিত কৰা হৈছে। দৰং জিলাৰ সপ্তম বাৰ্ষিক ভূড়াৰগড় আঞ্চলিক শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱৰ সমিতি আৰু নিৰ্বাচনী সমিতিয়ে এইবেলি 'আৰিমত্ত বঁটা-২০২৪' প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা অসমৰ সামাজিক ক্ষেত্ৰখনত বিশেষভাৱে অৱদান আগবঢ়াই অহা ১১ গৰাকী ব্যক্তিৰ ভিতৰত বুবু অসমৰ নামটো অন্তৰ্ভুক্ত হৈছে। উল্লেখ্য যে মৰিগাঁও জিলাৰ ধৰমতুলৰ অন্তৰ্গত ৰূপাইবড়ি নাথ গাঁৱৰ সৰ্বেশ্বৰ নাথ আৰু কনকলতা দেৱীৰ জেষ্ঠ পুত্ৰ বুবু অসমে বিগত সময়ত চিকিৎসাৰ ক্ষেত্ৰত দুৰ্দশাগ্ৰস্ত লোকসকলক বিশেষভাৱে সহায়ৰ হাত আগবঢ়াই বহু জনৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে। স্বেচ্ছাসেৱী সংগঠন সাতভনী ফাউণ্ডেচন, অসম, জুবিন গাৰ্গ ফেন ক্লাব, মৰিগাঁও জিলা নদী আৰু নাৰী জাগ্ৰত শক্তি অসম, সদৌ অসম সাংবাদিক সন্থা(আজু)ৰ মৰিগাঁও জিলা সমিতিৰ লগতে বিভিন্ন দল-সংগঠনৰে জড়িত বুবু অসমে ৰাজ্যৰ একাধিক ৰক্তদানৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগত জড়িত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় নেত্ৰভঁড়ালত মৰণোত্তৰভাৱে নেত্ৰদান কৰি থোৱাৰ লগতে বিভিন্ন সামাজিক মাধ্যমৰ জৰিয়তে ৰক্তদান আৰু অংগদানৰ ওপৰত ধাৰাবাহিকভাৱে সজাগতামূলক বাৰ্তা প্ৰচাৰ কৰি আহিছে। এই সৰবৰাহী যুৱকজনক আগন্তুক ১৬ নৱেম্বৰৰ দিনা উক্ত বঁটা প্ৰদান কৰা হ'ব।

# মায়ঙত বিদ্যুস্পৃষ্ট হৈ চাৰি বছৰীয়া শিশুৰ মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ১২ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ মায়ঙৰ ছোট গড়জান গাঁৱত আজি বিদ্যুস্পৃষ্ট হৈ এটি চাৰি বছৰীয়া শিশুৰ মৃত্যু হোৱা ঘটনাই বৃহত্তৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।। মৃত শিশুটিৰ নাম মিনহাজ আলম বুলি জানিব পৰা গৈছে। মায়ঙৰ ছোট গড়জান গাঁৱত বিদ্যুৎ বিভাগৰ এটা উন্মুক্ত ট্ৰেন্সফৰ্মাৰৰ বাবেই শিশুটিৰ মৃত্যু হোৱাৰ অভিযোগ উঠিছে। বিপদসংকুলভাৱে থকা ট্ৰেন্সফৰ্মাৰটোৰ বিষয়ে ৰাইজে বিদ্যুৎ বিভাগক বাৰম্বাৰ অভিযোগ দিয়াৰ পিছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাছিল বিদ্যুৎ বিভাগে। বিদ্যুৎ বিভাগৰ ট্ৰেন্সফৰ্মাৰ সংযোগী বিদ্যুৎ পৰিবাহী তাঁৰ ছিঙি মাটিত পৰি থকাত ৰাইজে বাৰম্বাৰ ফোনযোগে বিদ্যুৎ বিভাগৰ লোকক বিষয়টো জনাই দিছিল যদিও কোনো কাণসাৰ দিয়া নাছিল বিভাগীয় কৰ্তৃপক্ষই। যাৰ পৰিণতিত আজি পথৰ কাষেৰে শিশুটি গৈ থাকোঁতেই সংঘটিত হয় এই ভয়ংকৰ ঘটনাটো। ছিঙি থকা বিদুৎ পৰিবাহী তাঁৰত লাগি শিশুটিৰ এনেদৰে করুণ মৃত্যু হোৱা ঘটনাই বৃহত্তৰ আঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে।



জনতা ভৱনত আদিবাসী আৰু চাহ জনগোষ্ঠীৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতে মন্ত্ৰী পীয়ুষ হাজৰিকা



শিৱসাগৰত কণ কণ এজাক শিশুৰ সৈতে বিধায়ক অখিল গগৈ

## উপ-নিৰ্বাচনৰ এদিনৰ পূৰ্বে অগপত তীব্ৰ খহনীয়া

# বঙাইগাঁৱত শতাধিক অগপ এআইইউডিএফ কৰ্মী কংগ্ৰেছলৈ

**ই-সংবাদ, মাণিকপুৰ, ১২ নৱেম্বৰঃ** উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খণ্ডকাৰৰ উপস্থিতিত শতাধিক এআইইউডিএফ আৰু অগপৰ কৰ্মীয়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে। সৃজনগ্ৰাম আৰু টাপাট্টাৰী ব্লক কংগ্ৰেছৰ উদ্যোগত বতটাৰী ব্ৰীজ বজাৰত কেৰামত আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত শতাধিক এআইইউডিএফ আৰু অগপৰ কৰ্মীয়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে। বঙাইগাঁও জিলা এআইডিইউএফৰ উপ-সভাপতি আব্দুল বাৰেকৰ নেতৃত্বত ৰঙাপানী, সন্তোসপুৰ, ডুমেৰগুৰি আদি কৰি কেইবাখনো ঠাইৰ ৮০জনৰো অধিক এআইডিইউএফৰ কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। আনহাতে, প্ৰায় ২০ জন অগপ কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। নতুনকৈ দলত যোগদান কৰা লোকক বিধায়ক তথা কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ আব্দুল বাতিন খণ্ডকাৰে ফুলাম গামোচাৰে আদৰণি জনায়। নতুনকৈ গঠন হোৱা সৃজনগ্ৰাম সমষ্টিত এজনো এআইডিইউএফৰ কৰ্মী নাথাকে বুলি বিধায়কজনে কয়। আনকি বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী জয়ী হোৱাটো নিশ্চিত হোৱাত বিজেপি কৰ্মীয়ে উদ্ভণ্ডালি কৰি আছে বুলি মন্তব্য কৰে।

# ছাইন স্কুল অৱ লাৰ্নিঙৰ ছাইন উইংছ উদযাপন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১২ নৱেম্বৰঃ** কামৰূপ জিলাৰ মান্দাকাটা ছাইন স্কুল অৱ লাৰ্নিঙে এইবেলি যোৱা ৯ নৱেম্বৰত অনুষ্ঠিত কৰা “ছাইন উইংছ ফেষ্ট কাম এক্সিবিচন” শীৰ্ষক অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনীয়ে অভিভাৱক-দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি কালি পুৱা ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ আয়োজিত “ছাইন উইংছ ফেষ্ট কাম এক্সিবিচন”ত বিদ্যালয়খনৰ প্ৰতিটো শ্ৰেণীৰ শিক্ষাৰ্থীসকলে নৃত্য-গীত-খেল আদি প্ৰদৰ্শন কৰাৰ লগতে চিত্ৰাংকন আৰু প্ৰকল্প প্ৰদৰ্শন কৰে। নৃত্য-গীত-চিত্ৰাংকন আৰু প্ৰকল্পৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে উত্তৰ পূৰ্বাঞ্চলৰ সাতভনীৰ কৃষ্টি-সংস্কৃতি আৰু বিভিন্ন প্ৰাকৃতিক আৰু বিজ্ঞানমূলক পৰিঘটনা সুন্দৰভাৱে উপস্থান কৰিবলৈ সক্ষম হয়।



ছাত্ৰ-ছাত্ৰীসকলৰ উন্নত প্ৰদৰ্শনে বিদ্যালয়খনত ভিৰ কৰা সহস্ৰ অভিভাৱক-দৰ্শক শুভাকাংশীক আপ্লুত কৰি তোলে। ছাইন স্কুল অৱ লাৰ্নিঙৰ পৰিচালন সঞ্চালক ছাইনিং মাৰাক আৰু অধ্যক্ষা ৰুণুনী মোমীনে জানিবলৈ দিয়া মতে, এইবেলি অনুষ্ঠিত কৰা “ছাইন উইংছ ফেষ্ট কাম এক্সিবিচন”ত অভিভাৱক আৰু শুভাকাংক্ষীৰ উপস্থিতি তথা সহযোগিতাই তেওঁলোকক যথেষ্ট উৎসাহিত কৰি তুলিছে। আনহাতে, একাংশ দৰ্শক-অভিভাৱকে বিদ্যালয়খনত প্ৰদৰ্শিত প্ৰকল্পসমূহ আৰু সেই প্ৰকল্প সন্দৰ্ভত শিক্ষাৰ্থীয়ে দৰ্শকৰ সন্মুখত থিয় দি দাঙি ধৰা বৰ্ণনাৰ উপস্থাপন শৈলীৰ ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, কামৰূপ জিলা উপায়ুক্ত দেৱ মিশ্ৰ, পূব কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ভূপেন্দ্ৰ কুমাৰ শৰ্মা, শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মনি শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। বিদ্যালয়খনৰ এনে পদক্ষেপৰ শলাগ লৈ উপস্থিত একাংশ অভিভাৱকে পৰৱৰ্তী বৰ্ষসমূহতো এনে অনুষ্ঠানৰ আয়োজন কৰি যাব বুলি আশা ব্যক্ত কৰে।

# নগাঁৱৰ ওমফ্ৰা মন্দিৰৰ বাবে ৫০ লাখ টকাৰ অনুদান টাই আহোম উন্নয়ন পৰিষদৰ

**ই-সংবাদ, বেবেজীয়া, ১২ নৱেম্বৰঃ** নগাঁও জিলাৰ শিলঘাট জখলাবন্ধাৰ পৰা ৰহাহৈ ভালুকমাৰীলৈ আৰু কামপুৰৰ পৰা নগাঁও সদৰলৈ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা টাই আহোম জনগোষ্ঠীৰ লোকসকলক একত্ৰিত কৰি গঠিত হোৱা নগাঁও জিলাৰ আহোম সভাই বিগত সময়ছোৱাত বিভিন্ন উন্নয়নমূলক কাম-কাজ সম্পাদন কৰি আহিছে। ইয়াৰ অংশ হিচাপে সদৌ অসম আহোম সভাৰ অন্তৰ্গত নগাঁও জিলাৰ আহোম সভাই শেহতীয়াভাৱে আহোমসকলৰ জাতীয় কৃষ্টিৰ সমল তথা তেওঁলোকৰ উপাসনা থলী নগাঁও চহৰৰ নিউ আমোলাপট্টিত থকা ঐতিহাসিক ওমফ্ৰা মন্দিৰটি সজাই-পৰাই তোলাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে সমিতিৰ বিষয়ববীয়া গুণীন্দ্ৰ ফুকন, ঠগীত চন্দ্ৰ বৰুৱা আৰু লক্ষ্মী চেতিয়াই চৰকাৰী উৰ্ধতম কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি অহাৰ সমান্তৰালভাৱে ৰাজ্যিক টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰঞ্জন বৰগোহাঞিক সাক্ষাৎ কৰি অনুদানৰ বাবে আবেদন জনায়। ইফালে, এই আবেদনৰ প্ৰতি সঁহাৰি জনাই বিষয়টো অনুধাৱন কৰি ৰাজ্যিক টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰঞ্জন বৰগোহাঞিয়ে দেওবাৰে নিউ আমোলাপট্টিৰ ওমফ্ৰা মন্দিৰত আয়োজিত এক সভাত উপস্থিত হৈ মন্দিৰভাগৰ উন্নতিৰ কল্পে টাই আহোম উন্নয়ন পৰিষদৰ ফালৰ ৫০ লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষগৰাকীৰ এনে পদক্ষেপক নগাঁও জিলাৰ আহোম সভাৰ সভাপতি ড০ দীনেশ হাজৰিকা, সম্পাদক মহেন্দ্ৰজিৎ বৰুৱা, মহিলা কোষৰ সভানেত্ৰী নিৰুপমা বুঢ়াগোহাঁই আৰু সম্পাদিকা ৰূপালী বৰকথীয়াকে প্ৰমুখ্য কৰি বিষয়ববীয়া আৰু সদস্য-সদস্যাসকলে শলাগ লোৱাৰ লগতে তেওঁক কৃতজ্ঞতা জনাইছে।



মহাৰাষ্ট্ৰৰ কৃষকৰ সৈতে বিৰোধী নেতা ৰাহুল গান্ধীৰ অনলাইন বাৰ্তালাপ

# মৰিগাঁৱৰ বগৰীগুৰিত নাটক 'কালিয় দমন' মঞ্চস্থ

**ই-সংবাদ, মৰিগাঁও, ১২ নৱেম্বৰঃ** মৰিগাঁও চহৰৰ সমীপৱৰ্তী কোমোৱাগুৰি বগৰীগুৰিত যোৱা নিশা ধৰ্মমূলক নাটক 'কালিয় দমন' মঞ্চস্থ কৰা হয়। ধৰ্মীয় তথা আধ্যাত্মিক চিন্তাক সৰোগত কৰি দীৰ্ঘদিনৰ বিৰতি পিছত গাঁওখনৰ জ্যেষ্ঠ, কনিষ্ঠজনৰ লগতে যুৱক-যুৱতীসকলে একত্ৰিত হৈ মঞ্চস্থ কৰা ধৰ্মমূলক নাটকখনে ৰাইজৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হয়। ভগৱান শ্ৰীকৃষ্ণই শিশুকালত কালি হ্ৰদত কালি নাগক দমন কৰালৈকে সকলো ধৰণৰ কাৰু-কাৰ্য প্ৰদৰ্শন কৰা নাটকখনে অঞ্চলবাসীৰ মন মুগ্ধ কৰি তোলে। বিশেষকৈ বৃহত্তৰ কোমোৱাগুৰি অঞ্চলটোত মঞ্চস্থ কৰা এই ধৰ্মীয় নাটকখন উপভোগ কৰিবলৈ অঞ্চলটোৰ যথেষ্ট সংখ্যক লোক সমবেত হৈ পৰে। গাঁওখনৰ লোকসকলে এক নিৰ্দিষ্ট ৰীতি-নীতি পালন কৰি মঞ্চস্থ কৰা নাটকখন উদ্বোধন কৰে মৰিগাঁও জিলা গাঁওৰক্ষী বাহিনীৰ উপদেষ্টা বিষ্ণুজ্যোতি ভাগৱতীয়ে। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমণি নাথে আঁত ধৰা সভাখনত শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে কৌঁৰগাঁও গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী ফুলেশ্বৰী দাসে। উদ্বোধনী অনুষ্ঠানত কৌঁৰগাঁও গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্যা পূৰবী দেৱী, বৰঙাবাৰী সমবায় সমিতিৰ সচিব ভৱেশ ডেকা, সমাজকৰ্মী দীপেন দাস, নাট্যকাৰ অৰুণজ্যোতি নাথ, যুৱ সমাজকৰ্মী কেশৱ নাথ, বগৰীগুৰি নামঘৰ উন্নয়ন সমিতিৰ সভাপতি ধনীৰাম নাথ, সম্পাদক মাধৱজ্যোতি নাথ, কোষাধ্যক্ষ হিতেশ্বৰ নাথ, খেল সমাজৰ সম্পাদক প্ৰমোদ নাথ, জ্যেষ্ঠ নাগৰিক মেঘৰাম নাথ, তুলেন নাথ, হোমেশ্বৰ নাথ, যাদৱ নাথ, বিচিত্ৰ নাথ, প্ৰবীণ নাথ, দেৱজ্যোতি নাথ আদি কৰি ভালেসংখ্যক লোক উপস্থিত থাকে। ইফালে ন-পুৰণি শিল্পীৰ সমাহাৰেৰে মঞ্চস্থ কৰা নাটকখন পূৰ্বৰ ধাৰাবাহিকতা ৰক্ষা কৰি পুনৰ প্ৰতি বছৰে মঞ্চস্থ কৰিবলৈ অঞ্চলবাসীয়ে গাঁওবাসীক আহ্বান জনায়।

# সদৌ অসম কৰ্মকাৰ সন্থাৰে যোগাযোগৰ আহ্বান

**ই-সংবাদ, গোলকগঞ্জ, ১২ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত আজি সদৌ অসম কৰ্মকাৰ(লোহাৰ) সন্থাৰ আহ্বায়ক সমিতিয়ে এখন সংবাদমেলৰ আয়োজন কৰে। সন্থাৰ সভাপতি সুধাংশু কৰ্মকাৰে কয় যে কৰ্মকাৰসকল অন্যতম প্ৰাচীন জনগোষ্ঠী। ব্ৰিটিছৰ ঔপনিৱেশিকতাৰ বহু পূৰ্বৰে পৰা এইসকল লোকে অসমত বসবাস কৰি আহিছে। এইসকলক লোকৰ মূল জীৱিকাই হ'ল কৃষি সঁজুলি বনোৱা। নামনি অসম মূলতঃ কৃষি প্ৰধান অঞ্চল হোৱা হেতুকে কৃষি ক্ষেত্ৰত কৰ্মকাৰসকলৰ অৱদান অপৰিসীম। কিন্তু কৰ্মকাৰসকলৰ অৰ্থনৈতিক অৱস্থা শোচনীয়। তেওঁ কয় যে দেশৰ বিভিন্ন ৰাজ্যত কৰ্মকাৰ(লোহাৰ)সকলক অন্যান্য শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে যদিও এই ক্ষেত্ৰত বঞ্চিত হৈ আছে অসমৰ কৰ্মকাৰ(লো)সকল। সেয়ে এবছৰ পূৰ্বে ধুবুৰী জিলা কৰ্মকাৰ(লোহাৰ) সমিতিয়ে কৰ্মকাৰ(লোহাৰ)সকলক অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰাৰ দাবীত অসম চৰকাৰৰ অসম পিছপৰা শ্ৰেণীৰ আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। সেই মৰ্মে অসম পিছপৰা আয়ুক্ত কাৰ্যালয়ৰ তৰফৰ পৰা ২১ অক্টোবৰত ধুবুৰী জিলা সমিতিক ৰাজ্যৰ সকলো কৰ্মকাৰ(লো)সকলক একত্ৰিত হৈ আবেদন জনোৱাৰ পৰামৰ্শ আগবঢ়ায়। উক্ত পৰামৰ্শৰ আধাৰতে আজি সভাপতি সুধাংশু কৰ্মকাৰে সকলো জিলা সমিতিক সদৌ অসম কৰ্মকাৰ(লোহাৰ) সন্থাৰ আহ্বায়ক সমিতি অথবা ধুবুৰী জিলা সমিতিৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়।

# নৱাৰুণ সাহিত্য সভাৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, মিৰ্জা, ১২ নৱেম্বৰঃ** দক্ষিণ কামৰূপৰ অগ্ৰণী সাহিত্যানুষ্ঠান নৱাৰুণ সাহিত্য সভা,আমৰঙা-বৰিহাটৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশন অহা ২৭,২৮ আৰু ২৯ ডিচেম্বৰত তিনিদিনীয়াকৈ মহাপুৰুষ মাধৱদেৱ স্থাপিত সুখৰ থান সৰুহেৰামদো সত্ৰত অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে আজি বিয়লি এই নৱাৰুণ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভদ্ৰেশ্বৰ দাসৰ সভাপতিত্বত এই সত্ৰ প্ৰাংগণত এখনি সভা অনুষ্ঠিত কৰা হয়। সভাৰ উদ্দেশ্য বাখ্যা কৰে সৰুহেৰামদো ৰাইজ গয়ৰহৰ সভাপতি ভোগেশ্বৰ দাসে। এই আগত অধিৱেশনৰ বাবে প্ৰভাত দাসক সভাপতি আৰু হৰেকৃষ্ণ দাসক সম্পাদক হিচাপে লৈ ১১ জনীয়া এখনি আদৰণি সমিতি গঠন কৰা হয়।

## আজিকোপতি সূচল হৈ নুঠিল মাজুলীৰ কমলাবাৰী ফেৰী

# মিছা হ'ল কোটি টকাৰ ব্যয় সাপেক্ষে ড্ৰেজাৰেৰে ব্ৰহ্মপুত্ৰ খনন

**ই-সংবাদ, মাজুলী, ১২ নৱেম্বৰঃ** ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস হোৱাত মাজুলীৰ ঐতিহাসিক পাৰঘাট কমলাবাৰী-নিমাতী সংযোগী পুৰণি ঘাটটোৰ পৰা ফেৰী চলাচলৰ ক্ষেত্ৰত সমস্যা হোৱাত ইতিমধ্যে পাৰঘাটটো স্থানান্তৰিত কৰি কেৱল চিংগল ইঞ্জিনৰ ফেৰীৰে দুচকীয়া বাহন আৰু যাত্ৰীৰ পাৰাপাৰ অব্যাহত ৰাখিছিল। কিন্তু যাত্ৰীয়ে কমলাবাৰী পাৰঘাটোৰে যাতায়ত কৰাত সমস্যা সৃষ্টি হোৱাৰ প্ৰতি লক্ষ ৰাখি আজিৰে পৰা দক্ষিণপাটত অতিৰিক্ত এটা পাৰঘাটৰ ব্যৱস্থা কৰিছে জিলা প্ৰশাসনে। ৰাস মহোৎসৱৰ বাবে মাজুলীলৈ অহা যাত্ৰীসকলৰ লগতে মাজুলীবাসীৰ যাতায়তৰ সু-ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে নতুনকৈ উক্ত ফেৰী ঘাটটোৰে ফেৰী চলাচলৰ ব্যৱস্থা গ্ৰহণ কৰিছে। দক্ষিণপাট ফেৰী ঘাটেৰে মাজুলীৰ পৰা যোৰহাটলৈ মাত্ৰ ২৫ মিনিটৰ ভিতৰতে পাৰ হ'ব পাৰিব বুলি বিভাগৰ পৰা জানিবলৈ দিছে। নতুন ঘাট মুকলিৰ প্ৰাকমুহূৰ্তত আজি মাজুলীৰ বিধায়ক ভুবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ শীৰ্ষ বিষয়াই নতুন পাৰঘাটতো পৰ্যবেক্ষণ কৰে। কাইলৈৰ পৰা উক্ত ঘাটেৰে সকলো চৰকাৰী জাহাজ তথা দুখনকৈ ৰ'পেক্সেৰে ফেৰী যাতায়ত আৰম্ভ হ'ব। ইফালে এইবাৰ ৰাসত ফেৰীৰ ই-টিকটৰ ব্যৱস্থা বন্ধ থাকিব বুলি শেহতীয়াকৈ মাজুলীৰ জিলা আয়ুক্তই জানিবলৈ দিয়াৰ লগতে ফেৰী চলাচলতো কোনো ধৰণৰ সময়সূচী নাথাকিব আৰু যেতিয়াই মানুহ গোট খাই তেতিয়াই ফেৰীৰ চলাচল অব্যাহত থাকিব বুলি জানিবলৈ দিছিল। ইফালে ১৬ নৱেম্বৰৰ পুৱতি নিশাৰ পৰাই মাজুলীৰ পৰা ফেৰীৰ চলাচল আৰম্ভ হ'ব বুলি উল্লেখ কৰাৰ লগতে দুচকীয়া বাহন থকা ফেৰীসমূহ প্ৰয়োজনত দৰবাৰ চাপৰিস্থিত স্থানান্তৰিত কমলাবাৰী ঘাটত চপোৱাৰ ব্যৱস্থা কৰিব বুলি আয়ুক্ত গৰাকীয়ে জানিবলৈ দিছিল। উল্লেখযোগ্য যে শেহতীয়াকৈ মন্ত্ৰী কেশৱ মহন্তই মাজুলী কমলাবাৰী পাৰঘাটটো পৰ্যবেক্ষণ কৰাৰ লগতে পাৰঘাটটো পুনৰ চলাচলৰ সুবিধা হোৱাকৈ ড্ৰেজাৰে নদী পথ খান্দি সুচল কৰা হব বুলি আশ্বাস দিছিল আৰু এই সম্পৰ্কত মাজুলী আৰু যোৰহাট জিলা প্ৰশাসনৰ লগতো আলোচনাত মিলিত হৈছিল ডিব্ৰুগড়ৰ পৰা বিশেষ ড্ৰেজাৰেৰে ব্ৰহ্মপুত্ৰৰ বালিচৰ খান্দি মুকলিৰ প্ৰচেষ্টা লৈছিল। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, মাদ্ৰাজৰ এটা বিশেষজ্ঞ দলৰ তত্বাৱধানত ফেৰী চলাচলৰ সুবিধা হোৱাকৈ ব্ৰহ্মপুত্ৰৰ বুকুৰ ফেৰীপথ খনন কাৰ্য বৰ্তমানেও অব্যাহত আছে। কমলাবাৰী ঘাটৰ সমীপৰ যিটো অংশৰে ফেৰীসমূহ নিমাতীঘাটলৈ ওলাই যায় সেই অংশত কোটি কোটি টকাৰ ব্যয়ৰে বালিচৰ খনন কাৰ্য চলি আছে। খুব কম দিনৰ ভিতৰতেই আবদ্ধ বালিচৰ খনন কৰি ফেৰী সেৱা সুচল কৰিব পৰা যাব বুলি তেতিয়া বিভাগে উল্লেখ কৰিছিল। কিন্তু বালিচৰ ড্ৰেজাৰেৰে খন্দাৰ পাছতো ফেৰী সেৱা আজিকোপতি সুচল নহ'ল আৰু মূৰকত প্ৰশাসনে পাৰঘাটৰ ব্যৱস্থা কৰিবলৈ বাধ্য হ'ল।

## অবৈধ পাহাৰ কটা, খনন আদি ৰোধৰ বাবে টাস্ক ফৰ্চ গঠন

# প্ৰকৃতি ধ্বংসৰ বিৰুদ্ধে কঠোৰ কামৰূপ জিলা প্ৰশাসন

**ই-সংবাদ, গুৱালকুছি, ১২ নৱেম্বৰঃ** কামৰূপ জিলাত অবৈধ পাহাৰ কটা, শিল, বালি সংগ্ৰহ আৰু খনন আদিৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ লক্ষ্যেৰে কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই এক নিৰ্দেশযোগে উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ, পলাশবাৰী ৰাজহ চক্ৰ, হাজো ৰাজহ চক্ৰ, বকো ৰাজহ চক্ৰ, কমলপুৰ ৰাজহ চক্ৰ, ছয়গাঁও ৰাজহ চক্ৰ আৰু ৰঙিয়া ৰাজহ চক্ৰৰ বাবে মুঠ সাতটা টাস্ক ফৰ্চ গঠন কৰিছে। এই টাস্ক ফৰ্চসমূহে জিলা প্ৰশাসনৰ অনুমতি অবিহনে অবৈধভাৱে পাহাৰ বা মাটি কটা, শিল, বালি খনন আদি চলি থকা ঠাইসমূহৰ আকস্মিক পৰিদৰ্শন কৰিব আৰু আইন উলংঘাকাৰীৰ বিৰুদ্ধে নিয়ম অনুসৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। লগতে টাস্ক ফৰ্চসমূহে অবৈধভাৱে পাহাৰ বা মাটি কটা, শিল, বালিৰ খনন, অবৈধ বিস্ফোৰণ আদি বন্ধ কৰাৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।



তেওঁলোকে নিজ নিজ নিৰীক্ষণকাৰী বিষয়াৰ জৰিয়তে জিলা আয়ুক্তক এই দিশত গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিব লাগিব। এই সন্দৰ্ভত হাজো ৰাজহ চক্ৰৰ বাবে হাজোৰ ৰাজহ চক্ৰ বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ আফ্ৰিন হুছেইন(যোগাযোগ নম্বৰ ৬৯০১৫৬৮৩১৮)ৰ নেতৃত্বত হাজোৰ আন এগৰাকী ৰাজহ চক্ৰ বিষয়া কৃষ্ণ কিশোৰ চহৰীয়া(যোগাযোগ নম্বৰ ৬০০৩৮৭২৪৩৪), ছিলা ৰেঞ্জৰ ৰেঞ্জ অফিচাৰ সিদ্ধাৰ্থ পেগু (যোগাযোগ নম্বৰ ৭০০২৯৪৩০৩৯) আৰু সকলো বিট অফিচাৰ, উত্তৰ হাজো ৰেঞ্জৰ ৰেঞ্জ অফিচাৰ প্ৰাঞ্জল বৰ্মন(যোগাযোগ নম্বৰ ৭০০২৫৪৭০১০) আৰু সকলো বিট অফিচাৰ, এনফৰ্চমেণ্ট ইন্সপেক্টৰ আলতাফ হুছেইন(যোগাযোগ নম্বৰ ৯৮৬৪৪৮৫৩৯০), হাজো, গুৱালকুছি আৰক্ষী থানা আৰু দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকলক লৈ এই টাস্ক ফ'ৰ্চ গঠন কৰা হৈছে। এই টাস্ক ফ'ৰ্চৰ কাম-কাজ নিৰীক্ষণ কৰিবলৈ অতিৰিক্ত জিলা দণ্ডাধীশ কমল বৰুৱাৰ নেতৃত্বত উত্তৰ কামৰূপ সংমণ্ডল, ৰঙিয়াৰ বন সংমণ্ডল বিষয়া ছানিদেও ইন্দ্ৰজিৎ চৌধুৰী, অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ পাঠক, জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰী, সহকাৰী আয়ুক্ত কৃষ্ণেশা বৰা আৰু কংকনা শৰ্মাক দায়িত্ব দিয়া হৈছে।

# খেল মহাৰণলৈ সাজু মৰিগাঁৱৰ ২ লাখৰো অধিক খেলুৱৈ

**ই-সংবাদ, লাহৰীঘাট ১২ নৱেম্বৰঃ** সমগ্ৰ ৰাজ্যখনতে অহা ১৪ নৱেম্বৰৰ আৰম্ভ হ'ব খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ। এই খেল মহাৰণ অনুষ্ঠিত কৰাৰ বাবে ইতিমধ্যে মৰিগাঁও জিলাৰ তিনিওটা সমষ্টিৰ ৮৫ খন পঞ্চায়তত খেলপথাৰ সমূহ সাজু কৰি তোলা হৈছে। জানিব পৰা মতে, এইবাৰ খেল মহাৰণত কাবাদী, দৌৰ, ফুটবল, ভলীবল, সাঁতোৰ, পৰম্পৰাগত চাইকেল, ডবা আদি খেলত অংশগ্ৰহণৰ বাবে আজিলৈকে জিলাখনৰ পৰা ২ লাখ ৩৩ হাজাৰ ৫৬ গৰাকী খেলুৱৈয়ে নাম পঞ্জীয়ন কৰি সাজু হৈছে।ইফালে এই বছৰ খেল মহাৰণত নতুনকৈ সংযোজিত হোৱা ডবা খেলৰ বাবে প্ৰায় ১০ হাজাৰ খেলুৱৈয়ে নাম পঞ্জীয়ন কৰা বুলি জানিব পৰা গৈছে।অহা ১৪ নৱেম্বৰত জিলাখনৰ কপাহেৰা খেলপথাৰত খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ জিলাখনৰ আয়ুক্ত দেৱাশিষ শৰ্মা আৰু মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে উদ্বোধন কৰিব।ইয়াকে লৈ এতিয়া সকলো প্ৰস্তুতি পূৰ্ণ গতিত চলিছে বুলি মৰিগাঁও জিলা ক্ৰীড়া বিষয়া চন্দন তালুকদাৰে আজি সংবাদ মাধ্যমক জনাইছে।

# কাকপথাৰত সাংবাদিক পৰাগ ভূঞাক স্মৰণ

**ই-সংবাদ, কাকপথাৰ, ১২ নৱেম্বৰঃ** কাকপথাৰ প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপ-সভাপতি, বিশিষ্ট সমাজকৰ্মী পৰাগ ভূঞাৰ চতুৰ্থ মৃত্যু বাৰ্ষিকীৰ উপলক্ষে আজি কাকপথাৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হৈ যায়। কাকপথাৰ প্ৰেছ ক্লাবৰ উদ্যোগত কাকপথাৰ থানা চাৰিআলিত বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, প্ৰয়াত পৰাগ ভূঞাৰ পত্নী প্ৰিন্সমণি ভূঞা উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পৰাই বৰ্তমানলৈকে ৰহস্যৰ আৱৰ্তত থকা পৰাগ ভূঞাৰ মৃত্যুৰ আচল ৰহস্য ভেদ কৰিবলৈ অসম চৰকাৰ, চি আই ডিক আহ্বান জনায় কাকপথাৰ প্ৰেছ ক্লাবে। উল্লেখযোগ্য যে ২০২০চনত ঘৰৰ সন্মুখত এখন বাহনে ৰহস্যজনকভাৱে খুন্দিওৱাৰ ফলত মৃত্যু হৈছিল পৰাগ ভূঞাৰ। তাৰ পিছতে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঘটনাটোৰ তদন্ত কৰিবলৈ দায়িত্ব অৰ্পণ কৰিছিল চি আই ডিক। কিন্তু আজি পৰ্যন্ত চি আই ডিয়ে প্ৰতিবেদন দাখিল নকৰাত ক্ষোভিত হৈ পৰিছে কাকপথাৰ প্ৰেছ ক্লাব।



প্ৰকৃতিৰ ৰাণী ডিমা হাচাওত জনজাতীয় খাদ্যৰ জুতি লোৱাত ব্যস্ত লাডাখৰ পৰিৱেশবিদ ছোনম বাংছুক

## অন্ধ্ৰপ্ৰদেশৰ আৰক্ষীৰে যোগাযোগ অসম আৰক্ষীৰ

# কৰ্মৰ সন্ধানত বহিঃৰাজ্যলৈ গৈ সন্ধানহীন চেলেংহাটৰ যুৱক

**ই-সংবাদ, মৰিয়নী, ১২ নৱেম্বৰঃ** কৰ্মৰ সন্ধানত বহিঃৰাজ্যলৈ যোৱা মৰিয়নীৰ বৈছাহাবি চাহ বাগিছাৰ পুৰণা লাইনৰ এজন যুৱক ৰহস্যজনকভাৱে যাত্ৰা পথতে সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে যোৱা ৮ নৱেম্বৰত মৰিয়নি ৰে'ল জংচনৰ পৰা ৰে'লে যোগে বাংগালুৰু অভিমুখে মন্টু গোৱালা নামৰ বিবাহিত যুৱকজন সমন্ধীয় দুগৰাকী ব্যক্তিৰ সৈতে ৰাওনা হৈছিল। কিন্তু যাত্ৰা পথতে ৰে'লৰ পৰা টি টিয়ে কোনো কাৰণত তিনিওজনকে মাজনিশা অন্ধ্ৰপ্ৰদেশৰ নীলু নামৰ ৰে'ল ষ্টেচনটোত নমাই দিয়া বুলি পৰিয়ালৰ লোকক জানিবলৈ দিয়ে। ৰে'ল ষ্টেচনটোৰ পৰাই ৰহস্যজনক ভাৱে পুৱতি নিশা সন্ধানহীন হয় মন্টু গোৱালা। ইয়াৰ পাছৰ পৰাই যুৱকজন সন্ধানহীন হৈ থকাৰ লগতে কোনোধৰণৰ যোগাযোগ নোহোৱাত পৰিয়ালৰ লোকসকল চিন্তিত হৈ পৰিছে। অচিনাকি ঠাইত যুৱকজন বিপদত পৰাৰ শংকা কৰিছে পৰিয়ালৰ লোকে। লগত যোৱা দুই ব্যক্তিয়ে যুৱকজনৰ সন্ধানৰ বাবে ৰে'ল আৰক্ষীৰ সহায় বিচাৰিছে যদিও কোনোধৰণৰ সঁহাৰি লাভ নকৰা বুলি জানিবলৈ দিছে পৰিয়ালৰ লোকৰ। বৰ্তমানেও ৰে'ল ষ্টেচনটোতে আছে উক্ত ব্যক্তি দুজন। যুৱকজন সন্ধানহীন হোৱাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে ইতিমধ্যে স্থানীয় চেলেংহাট আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে যুৱকজনৰ ফটোসহ সন্ধানহীন হোৱাৰ বাৰ্তা অন্ধ্ৰপ্ৰদেশ আৰক্ষীলৈ প্ৰেৰণ কৰিছে যদিও বৰ্তমানলৈকে কোনোধৰণৰ সম্ভেদ লাভ কৰা নাই।

# মুকালমুৱাৰ কালদি আঞ্চলিক জনতা গো-পূজাত ৰক্তদান শিবিৰ

**ই-সংবাদ, মুকালমুৱা, ১২ নৱেম্বৰঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কালদি গাঁৱত চলি থকা আঞ্চলিক জনতা গো-পূজাৰ পঞ্চম দিনা এক ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। ধৰ্মীয় অনুষ্ঠানটোৰ লগত সংগতি ৰাখি গোপাল থান প্ৰাংগণত আয়োজন কৰে ৰক্তদান শিবিৰৰ। আঞ্চলিক জনতা গো-সেৱা সমিতিৰ উদ্যোগত কালদি গোপাল থান প্ৰাংগণত চলি থকা আঞ্চলিক জনতা গো পূজাত মংগলবাৰে পূৰ্বৰ পৰম্পৰা অনুসৰি ৰক্তদান শিবিৰ অনুষ্ঠিত কৰে। এইচডিএফচি বেংকৰ সহযোগত অনুষ্ঠিত কৰা ৰক্তদান শিবিৰটো উদ্বোধন কৰে দৌলাশালস্থিত চতুৰ্দ্দশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক পেট্ৰিক ৰাহাঙে। গুৱাহাটী মেডিকেল কলেজ হাস্পতালৰ অভিজ্ঞ চিকিৎসক ডাঃ নিলয় তালুকদাৰৰ নেতৃত্বত এদল কৰ্মচাৰীয়ে কালদি গোপাল থান প্ৰাংগণত উপস্থিত হৈ ৰক্তদাতাসকলৰ ৰক্ত সংগ্ৰহ কৰে। ৬৬ সংখ্যক আঞ্চলিক জনতা গো-পূজা উপলক্ষে আঞ্চলিক জনতা গো-সেৱা সমিতিয়ে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ ৬৬ ইউনিট ৰক্তদান দিয়াৰ মানসেৰে ৰক্তদান শিবিৰটো অনুষ্ঠিত কৰে। ৰক্তদান শিবিৰটোত অঞ্চলটোৰ অৰ্ধশতাধিক যুৱকে ৰক্তদান কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰে বুলি জানিবলৈ দিয়ে উদযাপন সমিতিৰ সাধাৰণ সম্পাদক ত্ৰৈলোক্য ৰাজবংশীয়ে। উল্লেখযোগ্য যে আঞ্চলিক জনতা গো-সেৱা সমিতি, কালদিয়ে ধৰ্মীয় অনুষ্ঠানটোৰ লগত সংগতি ৰাখি প্ৰতিবছৰে ব্যতিক্ৰমভাৱে অনুষ্ঠিত কৰি আহিছে ৰক্তদান শিবিৰৰ। আঞ্চলিক জনতা গো-সেৱা সমিতিয়ে ধৰ্মীয় অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা এই পদক্ষেপক অঞ্চলটোৰ সচেতন মহলে প্ৰশংসা কৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি